## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1922 (1844 Sak) | Edition: |
| Size: 21 cms – 516 pages | Genre: Magazine |
| Volumes: 12 (2, 6, 8, 11, 12 Isms) | Condition of the original: Brittle. |
| Remarks: Edited. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# বাঁহী।

১২শ বছৰ। | ১৮৪৪ শক, চ'ত। | ১২শ সংখ্যা।

## প্ৰেমৰ গৌৰৱ।

—০:*:০—

এতিয়া, যেতিয়া মোৰ প্ৰীতিৰ সঁফুৰা
আকাশ আমোদি সমীৰণ সতে মিলি
যাচিছে সবাৰে পদে প্ৰাণৰ আজলি,
প্ৰচাৰিছে জগতত স্নেহৰ বতৰা,—
অতীত কাহিনী মই গুণো বহি বহি,—
'যৌৱন-পৰশ-মণি! যদিহে তোমাৰ
হই প্ৰেম-অমিয়াৰ মলয়া সঞ্চাৰ
মোৰ হৃদি-নন্দনৰ সুগন্ধি চুপহি
নুফুলালে হয়,—তেতিয়ানো কেনেকই
তুষিলোহেঁতেন মোৰ প্ৰাণৰ দেৱতা
অৰপি বিমল এই হৃদয়-সৌৰভ?
তেতিয়া কিদৰে বাক হাঁহি হাঁহি মই
দিলো হয় জগতক মঙ্গল বাৰতা—
"ধন্য ধন্য, শতধন্য, প্ৰেমৰ গৌৰৱ!!"'

শ্ৰীডিম্বেশ্বৰ নেওগ।

—০:*:০—

# গ্ৰেচ্ছ ডাৰ্লিং।

ইংলণ্ডৰ নৰ্দাম্বাৰলেণ্ডৰ পূবফালে থকা উত্তৰ সাগৰত ফাৰ্ণী দ্বীপপুঞ্জ। এই দ্বীপপুঞ্জ প্ৰায় পঁচিশটা দ্বীপৰ সমষ্টি, পিছে বাৰিষা প্ৰায় চাৰি-পাঁচটি মানহে দেখা যায়। ঠাইডোখৰ বৰ নিমাও-মাও, চুচুৰীয়া হাবিবননেৰে ঢকা। দ্বীপবিলাক পাহাৰেৰে ভৰা, একো একোটাহঁত ডাঙৰেই, সেইবিলাকক পাহাৰ নুবুলি পৰ্ব্বতকে বুলিব পাৰি। আদিমবাসীবিলাক বনৰীয়া জন্তুতকৈ অলপ হে ওপৰ-উঠা। দ্বীপপুঞ্জটীৰ ওচৰত সাগৰৰ সোঁত বৰবেছি, কাজেই বহুত ভাপনাও—বা বৰ্ত্তমান কালৰ শিক্ষিত ভাষাৰ—জাহাজে, পাহাৰ বিলাকৰ ওপৰত হাৰ পেলোৱা একো আচৰিত নহয়; বিশেষতঃ খৰালি কালত তাৰ চিন ছাবো পোৱা যায়হে।

ফাৰ্ণীদ্বীপপুঞ্জৰে এটি দ্বীপৰ নাম লংষ্টন। তাতে এটি 'লাইটহাউছ' বা নাবিকসকলক বাট-দেখুউৱা চাকি-থকা ঘৰ আছিল আৰু আমি যি কালৰ কথা কৈছো তেতিয়া সেই ঘৰটিত ৱিলিয়াম ডাৰ্লিং নামেৰে এজন ছাহাবৰ বসতি আছিল মানুহজন জ্ঞানী, মানীয়েই আছিল। পিছে আৰ্থিক অৱস্থাহে সিমান টনকীয়াল নাছিল, নতুবা সেই অকলশৰীয়া দ্বীপটোত দুৰ্লভ মানৱ জীৱনৰ অমূল্য দিনকেটা কটোৱাৰ কোনো মানে নাছিল।

ৱিলিয়াম ডাৰ্লিঙৰ লৰা-ছোৱালী কেবাটিও, কিন্তু গ্ৰেচ্ছডাৰ্লিং বোলা ২২বছৰীয়া সুমলীয়া ছোৱালীটীৰ নামহে সকলোৰে জনাজাত আৰু তেওঁ আমাৰো গল্পৰ নায়িকা। ছোৱালীজনীয়ে জীৱনৰ সৰহডোখৰ কালকেই সেই অকলশৰীয়া জয়াৰ দ্বীপটোত কটাব লগাত পৰিছিল। ছোৱালীটী দেখিবলৈ বৰ সুন্দৰ আছিল, ওখ ডাঙৰ নাছিল, মজলীয়া সাচৰ। স্বভাৱত লাজকুৰীয়া আৰু প্ৰশংসনীয় বুলিয়েই শুনা যায়। ছোৱালীটীৰ এটি সৰ্ব্বশ্ৰেষ্ঠ গুণ আছিল; মুখৰ সুৱদি মিছিকীয়া হাঁহিটি—যুৱক বটাচৰাইলৈ চিটিকা বা ফুৰ্ত্তি—যি বোলে। পঢ়া শুনাৰ কালেও মানুহে হাঁহিব নোৱাৰিছিল।

১৮৩৮ খৃষ্টাব্দৰ ৫ ছেপ্তেম্বৰ বুধবাৰৰ দিনা গধূলি "ফৰকাৰশ্যায়াৰ" নামৰ জাহাজে, প্ৰায় ৩০০ টন বা ৮১৭০ মোণ মাল বুকুতলৈ,—অধ্যক্ষ জনহাম্বোলৰ তত্বাৱধানত হল্ নগৰৰ পৰা স্কটলণ্ডৰ "ডাণ্ডী' নামে ঠাইলৈ ৰাওনা হয়। জাহাজ্ বহুত মূল্যবান বস্ত্ৰ, আৰু কিছুমান লো-চিৰিৰে পৰিপূৰ্ণ। যাত্ৰীও ২২ জন কেবিন অধিকাৰী, ১৯জন তলথাপৰ, আৰু খালাচি • কৰ্ম্মচাৰী লৈ মোটমাট ৬৩ জন।

পিছদিনা গধূলি জাহাজ আহি ফাৰ্ণীদ্বীপপুঞ্জৰ ওচৰ চাপিলহি। এনেতে হঠাৎ এজাক ধুমুহা বতাহ বৰষুণে ঘোৰ কালমূৰ্ত্তি ধাৰণ কৰি দেখা-দিলেহি। কুৰঁলী লাহে ২ বাঢ়িবলৈ ধৰিলে। শিলত খুন্দা খাই জাহাজৰ তলিত এটা ডাঙৰ বিন্ধা ওলাল। হো হো কৰে পানী সোমাবলৈ ধৰিলে। ইঞ্জিনৰ জুই নুমাই গল, লাহে লাহে কল বন্ধ হল। চুম্বকে সাধাৰণ লোহা চুম্বন কৰিবলৈ বিচৰাৰ দৰে গভীৰ সাগৰেও জাহাজ ক্ৰমে ক্ৰমে নিজ বুকুলৈ আকৰ্ষণ কৰিবলৈ ধৰিলে। বায়ু-বৰুণ দুয়ো মিলি জাহাজ অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰিলে। আৰু দুয়ো গোট খাই হেচি ঠেলি জাহাজ নি, শুকুৰবাৰৰ দিনা ৪টা মান বজাত লংষ্টন দ্বীপৰ ওচৰ পোৱালেগৈ; প্ৰকাৰান্তৰে যমৰ দুৱাৰ মুখকেই পোৱালে নি।

আগৰ দৰে আজিও অঘটন ঘটিল। নৱমনিষ অধ্যক্ষ 'হাম্বোলে' কাণ্ডজ্ঞান হেৰুৱালে; হাতুকুম বন্ধ হল, সকলোৰে নিজ নিজ জীৱনৰক্ষাৰ উপায় বিচাৰিবলৈ ধৰিলে। কেজন মানে জাহাজৰ কাষত থকা বিপদৰ লগৰীয়া সৰু সৰু নাও কেখনমানকে লৈ আপোনপেটীয়া ধৰ্ম্মৰ ভক্ত হৈ নিজ নিজ প্ৰাণ ৰাখিবলৈ জাহাজ এৰিলে আৰু অলপতে 'চিল্ডচ' নামৰ পোতাশ্ৰয়ত আশ্ৰয় লোৱাগৈ বুলি শুনা যায়।

এতিয়া শনি লাগিল জাহাজৰ অৱশিষ্ট যাত্ৰী সকলৰ গাত। মুনিহ সকল তো ভয়তে চৰণ-পৰা-



প্ৰায়, তাতে আকৌ তিৰোতাৰ চিঞৰে গছৰ পাত সৰাইছে।

আটাইতকৈ কোৰ চৰিল অধ্যক্ষ জনৰহে এনেয়ে চিন্তামগ্ন ভয়গ্ৰস্ত তাতে আকৌ ঘৈণীয়েকৰ উদ্ধাৰৰ উপায়—পৰ্ব্বতত কাছৰ কণী।

লাহে লাহে জাহাজ গৈ শিলৰ ওপৰ উঠিল, যাত্ৰীদলৰ গাত চুৰ্ত্তি নাইকীয়া হল। কোনোৱে হয় তো নিজ নিজ কুঠৰিত সোমাই দুৱাৰ বন্ধ কৰি পৰমপিতা পৰমেশ্বৰক স্তুতি মিনতি কৰিছে, কোনোৱে জাহাজৰ মজিয়াতে চকুপানীৰে বাট নেদেখা হৈ ইকাল সিকাল কৰিছে। প্ৰায় তিনি মিনিট মানতে জাহাজ দুডোখৰ হল। পিছডোখৰ অধ্যক্ষ অধ্যক্ষনী আৰু সৰহভাগ যাত্ৰীকে লৈ ভীষণ সোঁতত ভটিয়াই অনন্ত সাগৰৰ গভীৰ বুকুত ঠাই ললেগৈ। আগ ডোখৰ ৫ জন খালছী, ৪ জন যাত্ৰী—মুঠতে ৯জন মানুহ বুকুতে লৈ শিলতে লাগি ৰল।

লাহে লাহে বেলি পৰিলহি। সূৰ্য্য দেৱতাৰ সাত সাগৰৰ সাত জোৰোৱা কাৰো চাবৰ মন নগল। বিপদগ্ৰস্ত যাত্ৰী কেজনে ভয়ত ব্যাকুলহৈ সূৰ্য্য নো কেতিয়া বুৰ মাৰি উঠে সতৃষ্ণ নয়নে তাকে চাবলৈ ধৰিলে। এপালেই এযুগ হল। দুৰ্ক্কপলীয়াহঁতৰ কেউফালে সাগৰে ভীষণ খেলা আৰম্ভ কৰিলে। চাৰিও ফালে এনেহে সোঁত যেন ভগা জাহাজডোখৰ পলে পলে যায় যায়। যাত্ৰীকেজনে জীৱনৰ আশা এৰি পৰমেশ্বৰক খাটিবলৈ ধৰিলে। এনেকুৱা সোঁতত কি নাও তন্তে? তন্তে নতন্তে আমাৰ হে কথা; পৰমপিতাৰ অসাধ্য কি? তেওঁৰ নামত শিলৰো পানী ওলায়। সেই ঠাইতো যাত্ৰী-উদ্ধাৰৰ নাও ওলালহি। নাৱৰ গুৰীয়াল এগৰাকী বীৰঙ্গনা গাভৰু।

শুকুৰবাৰৰ দিনা ৰাতিপুৱা সেই বিপদগ্ৰস্ত যাত্ৰী কেজন 'ডাৰ্লিং' পৰিয়ালৰ চকুত পৰিল। প্ৰায় দুযোজন মান আঁতৰত ৱিণিৰ তেওঁলোকৰ ঘৰ দেখা গৈছিল। ঘৰত ৱিলিয়াম ডাৰ্লিং স্বয়ং, ঘৰৰ গৃহিনী আৰু সুমলীয়া কুমলীয়া জীয়েক 'গ্ৰেচ্ছ'ৰ বাহিৰে কোনো নাছিল। সাগৰত বতাহ লাহে ২ কমিছিল হয়, কিন্তু সাগৰৰ ভীষণ মূৰ্ত্তি কমাৰ পৰিমাণে বাঢ়িবলৈ ধৰিলে। এনে ভীষণ দৃশ্য দেখি বীৰপুৰুষ একোজনৰো ভয়ত হিয়া কঁপিবলৈ ধৰে, কিন্তু কি আচৰিত কথ নোৱাৰো, ভীৰু জাতীয়া এজনী গাভৰু ছোৱালীয়ে সেই বিপদকো আদৰি চপালে। ৱিলিয়াম ডাৰ্লিং চকুৰে দেখি খালত পৰিবলৈ অমান্তি হল। কিন্তু 'গ্ৰেচ্ছ'তো অলপধতুৱা ছোৱালী নহয়, একাচেকা। পিতাকক নেৰানেপেৰাকৈ খাটি-বলৈ ধৰিলে। অৱশেষত বুঢ়া 'ৱিলিয়ামে' প্ৰাণকে পণ কৰি হাতত বঠা ললেহি। গ্ৰেচ্ছে নিজে নাৱৰ গুৰি ধৰিলে। এই খিনিতে কোৱা যক যে সৰহীয়া ককাই ভাইৰ মাজত উঠা সুমলীয়া গ্ৰেচ্ছৰ হাতত বঠা আজিয়েই প্ৰথম।

গাভৰুৱে বুঢ়া বাপেকক আগত লৈ নিজে গুৰি পোনাই পোনাই যাত্ৰীসকলৰ ফালে ভটিয়নী পানীত নাও এৰি দিলে। সোঁতত নাও কঁপিবলৈ ধৰিলে, হাতৰ বঠা সৰি পৰে সৰি পৰে যেন লাগিল। অশিক্ষিত গুৰিয়ালৰ গুৰি ঠিক নথকাত নাৱে শিলত খুন্দা খাবলৈ ধৰিলে। বৃদ্ধ ৱিলিয়াম অস্থিৰ হৈ বঠা এৰি শিলত ধৰিলে। শেষত নাৱৰ সম্পূৰ্ণ ভাৰ পৰিল জীয়েকৰ গাত। লাহে লাহে নাও যাত্ৰীদলৰ ওচৰ পালেহি। যাত্ৰীৰ উদ্ধাৰ হল।

আকৌ নাও আহি ৱিলিয়ামৰ ঘাট পালেহি। যাত্ৰীসকল ৱিলিয়াম ডাৰ্লিঙৰ ঘৰত আলহী হলহি। সেই অকণমানি লাইট হাউছত—সাগৰৰ বিষম গতি দেখি—আলহিয়ে আৰু তিন দিন কটাব লগাত পৰিল। এজন দুজনো নহয়, ৯জন আলহিৰ নিমিত্তে ঘৰ একেবাৰেই সৰু হল। গ্ৰেচ্ছে নিজৰ শেঁতলি এগৰাকী বৃদ্ধামহিলাক সমৰ্পি নিজে মাটিত ঠাই ললে।

গ্ৰেচ্ছৰ বীৰত্ব চাৰিউপিনে বৈ বৈ গল। ব্ৰিটেইনত হে নেলাগে পৃথিবীৰ সকলো খৃষ্টিয়ান সমাজতে গ্ৰেচ্ছডাৰ্লিঙে উচ্চস্থান অধিকাৰ কৰিলে। সভ্য সমাজে ৰৰঙনিৰে গ্ৰেচ্ছৰ আৰ্থিক অৱস্থা টনকীয়াল কৰিলে। কেউফালৰ পৰা অশেষ উপহাৰ আহিবলৈ ধৰিলে। মুঠতে সেই অকলশৰীয়া নিমাওমাও লাইটহাউছটি এডোখৰ মনমোহা ঠাই হৈ উঠিল, বাটৰ বাটৰুৱাসকলকো তাৰ দৃশ্যই আকৰ্ষণ কৰিবলৈ ধৰিলে। যেনে পায়

সেয়ে গ্রেহক ধন্যবাদ দিবলৈ ধৰিলে। শই শই হেজাৰে, হেজাৰে ধনী, মনী, জ্ঞানী, ৰূপহ ডেকা অযাচিতে গ্রেহৰ প্রার্থী হলহি। কিন্তু গ্রেছে 'অকলে পিতাক এৰি যাব নোৱাৰো' বুলি সকলোতে অমান্তি হল। এনে গৌৰৱৰ লীলা খেলাৰ মাজত কেইজন ধৈৰ্য্যধৰি থাকে বা থাকিব পাৰে? কিন্তু লাজকুৰীয়া গ্রেছ হলে অলপো নটলিল। জগদ্ব্যাপী খ্যাতি আৰু যশস্যা গ্রেছৰ ওচৰত কুটা যেন হল। সেই সকলো গাভৰুৱে নীৰৱে সহি থাকিল।

কিন্তু এই যশস্যা গ্রেছে বেছি দিন ভোগ কৰিবলৈ নেপালে। ১৮৪৩ খৃষ্টাব্দৰ শেষভাগত গ্রেছৰ গাত যক্ষা ৰোগৰ লক্ষণ দেখা গল। ভাল ভাল ডাক্তৰৰ যত্ন বৃথা হল। লাহে লাহে বেমাৰৰ লক্ষণ বিষম হৈ আহিবলৈ ধৰিলে। অৱশেষত ১৮৪৩ খৃষ্টাব্দৰ ২০ অক্টোবৰৰ দিনা ঈশ্বৰৰ ইচ্ছা পূৰ্ণ কৰি, নাৰীজাতিৰ বীৰত্বৰ জলন্ত প্রমাণ ৰাখি, গ্রেচ ডার্লিঙে মৰ্ত্তৰ লীলা সম্বৰণ কৰি স্বৰগত ঠাই ললেগৈ। মৃতদেহৰ শেষক্রিয়া কৰিবলৈ বহুত মানুহ গোটখাইছিল আৰু 'বেম্বৰও' গীৰ্জ্জা চোতালত আজিও তেওঁৰ কীর্ত্তিস্তম্ভ দেখিবলৈ পোৱা যায়।

গ্রেচ ডার্লিঙৰ বীৰত্ব, যুদ্ধাক সৈনিকৰ নিচিনা মনোন্মত্ত নাছিল,—সি স্বৰ্গীয় কোমলতাৰ চানেকী। এইদৰে পৰৰ অৰ্থে প্রাণ উচৰ্গা মানুহ পৃথিবীত কেইজন? পৰোপকাৰী বীৰাঙ্গনা গ্রেচ ডার্লিঙৰ নাম আকাশত চন্দ্ৰ সূৰ্য্য, আৰু মানৱ প্রাণত সহানুভূতি আৰু দয়া থাকে মানে অমৰ। আমাৰ বাই-ভনীসকলেও যাতে এনে আদৰ্শ লৈ মৰণশীল সংসাৰতো অমৰ হয় এয়ে আমাৰ একান্ত ইচ্ছা।

শ্রী—

---

# ফাৰ্চী সাহিত্যত আসাম বুৰঞ্জী।

(১১শ সংখ্যাৰ পাছৰ পৰা।)

প্রথমতে ৰজা নগাপৰ্ব্বতলৈ পলাই যাব খুজিছিল; কিন্তু, আমাৰ সেনালৈ ভয় কৰি নগাই তেওঁক আশ্রয় নিদিলে। নগাবোৰ অসমৰ দক্ষিণপিনে পৰ্ব্বতত বাস কৰে। সিহঁত দেখিবলৈ শাওঁৰৱণীয়া আৰু গ'ঠলু, কিন্তু বিশ্বাসঘাতকী; সংখ্যাত, জেগগ-মেগগ বিলাকৰ সহায়কাৰীৰ সমান; বল আৰু সহিষ্ণুতাত, আৰৱৰ পুৰণি জাতি এদিজ বিলাকৰ দৰে। সিহঁত নাঙঠ হৈ পশুৰ দৰে বিচৰণ কৰে। আৰু আলিবাট, বজাৰ-হাটত মানুহৰ আগতে স্ত্রীসঙ্গম কৰাও একো লাজৰ কথা নহয় বুলি ভাবে। মাইকীবোৰে বুকুখন মাথোন ঢাকে। এই বুকুঢকাৰ বিষয়ে সিহঁতে কয় বোলে, জনমৰে পৰা [দেখি থকা অঙ্গ-প্রত্যাঙ্গবোৰ ঢাকি থোৱা স'চাকৈয়ে বৰ কুৎসিৎ; কিন্তু বুকুখন জন্মৰ পিছত হে বাঢ়ে, সেইদেখি ইয়াক ঢাকি ৰখা নিতান্ত উচিত। ভ্রমনমান নগা বিষয়া আহি নবাবক দেখা কৰিছিল। সিবিলাকৰ ওপিনাত কড়িঅঁৰা, ক'লা কাপোৰ আৰু মূৰত গাহৰী-দাঁতৰ শিকলি; ডিঙিলৈকে পৰা দীঘল, ক'লা চুলি আৰু হাতত একোপাট যাঠী।

গতিকে, ফুকনক লগত লৈ ৰজা নামৰূপলৈ পলাই গল। এই নামৰূপ নৰকৰ এক অংশকে বুলিব পাৰি। ঠাইখনৰ তিনি চুকে পৰ্ব্বত। তাৰ জল-বায়ু বেবেলতকৈও অস্বাস্থ্যকৰ। অসমীয়াবোৰে কয় "ইয়াৰ ওপৰেদি চৰাই উৰি গলে বাদুলীয়ে খায়; মাটিত সোমালে লোও মৌ-শিতা হয়।" কাছী নিদিয়া দোষীক ইয়ালৈ নিৰ্ব্বাসন কৰা হয়। ঠাই ডোখৰৰ মাজত এটি মাথোন সোৰা যাব পৰা এটি আলি আছে। সেই



আলিয়েদি হৈ গড়গাৱঁৰ উত্তৰে ৰটাস ওলাব পাৰি। আলিটোৰ আদক্রোশ বাটলৈকে ইমান হাবি যে তাৰ মাজেদি গলে আলি বুলি ভাবিবই নোৱাৰি। তাৰ পিছত, পাঁচ-ছয় ক্রোশমান দীঘল সুৰুঙ্গা এটা পোৱা যায়। সুৰুঙ্গাটোৰ দুয়ো দাঁতিয়ে দুটা পৰ্ব্বত—বাটটো শিল আৰু বোকাৰে পৰিপূৰ্ণ। তাতে বৰ গোহাঁইৰ অধীনত থকা বিদ্রোহী দলে থিতাপি ললে আৰু ইপিনে, ফুকনৰ অধীনত থকাবোৰে দিহিং নৈ আৰু ব্রহ্মপুত্রৰ মাজৰ মাজুলীত বাহৰ কৰিলেগৈ।

এনে সময়তে, তিনি দিন, তিনি ৰাতি, এনে দৰে ধাৰাসাৰে বৰষুণ দিবলৈ ধৰিলে যে তাম্বীৰবাত বাস কৰা অসম্ভৱ হৈ উঠিল। বাৰিষা কেইদিন লখুগড়তে নিয়াবলৈ ইচ্ছা কৰিছিল; কিন্তু, মুতাচাদিবিলাকে কলেহি—"অধিকাৰ কৰা বস্তুবোৰ এতিয়াই পাৰ নকৰিলে আৰু বনৰীয়া হাতীবোৰ নপঠিয়ালে পিছত আৰু, সুবিধা পোৱা নহব।" সেইবোৰ যি কি নহওক, মুঠতে কবলৈ গলে, বাৰিষা আৰম্ভ হোৱাৰ আগেয়েই লখুগড় নেৰিলে পাছত বৰ টান হোৱাৰ আগন্তুক হল।

সেই গুণে, গড়গাৱঁৰ পৰা ৩া ক্রোশ নিলগত থকা মথুৰাপুৰলৈ যাবলৈ সংকল্প কৰা হল। মথুৰাপুৰ গড়গাৱঁৰ দক্ষিণপিনে পৰ্ব্বতৰ ওচৰত। গড়গাৱঁত এদল ৰখুৱা ৰখা হল। এই লিখক ও গড়গাৱঁতে ৰল। তাৰ পৰা জাহাঙ্গিৰ নগৰলৈ বহুত বন্দুক পঠোৱা হয়। পাৎস্যাৰ নামে টকা-পইছাত মোহৰ মৰোৱা হয়। জাহাঙ্গিৰ নগৰলৈ পঠিয়াব পৰা দ্রব্য-বস্তুবোৰৰ তত্বাৱধান লবলৈ মিৰমুৰতাজাক ভাৰ দিয়া হয়। মিজ্হুৱা খাঁক শালহাটী মৌজালৈ পঠোৱা হয়। এই শালহাটী মৌজা গড়গাৱঁৰ দক্ষিণে পৰ্ব্বতৰ কাষত;—বৰগোহাঁই আৰু আন-আন ৰজাঘৰীয়া মানুহৰ অধিকৃত। গাজী খাঁক দেওপানী মৌজাৰ থানাদাৰ পতা হল। দেওপানী মৌজা গড়গাওঁ আৰু শালহাটী মৌজাৰ মাজত। দৰিয়াবাদৰ জেলাল খাঁক দিহিং নৈত চৌকি দিবলৈ পঠোৱা হল।

এইবিলাক কামৰ থান-থিত লগাই ২০ ছাৱনত নবাব মথুৰাপুৰলৈ গল। তৰপৰা আঠক্রোশ দূৰৈ অভয়পুৰ মৌজালৈ আদম খাঁ গল। আদম খাঁই বাৰে বাৰে অসমীয়াৰ লগত যুঁজ কৰিকে আগুৱাই যাব পাৰিছিল। দিচিঙৰ ইপাৰৰপৰা অসমীয়াবোৰে জেলালখাঁক ৰাতি আক্রমণ কৰিছিল; কিন্তু জেলালৰ হাতত সিহঁত এনে ভৱে ঘাটিলে যে পাছলৈ দৰিয়াবাদী মানুহৰ নাম শুনিলেই অসমীয়া পলাই ফাট মৰা হল। মিয়ানা খাঁই শালহাটীৰ প্রজাবোৰক ৰক্ষা কৰিছিল। সংক্ষেপতে কবলৈ গলে, গোটেই দক্ষিণকূল যৱন সেনাৰ হাতলৈ আহিল আৰু দেশীয় মানুহবিলাকে সুখে-সন্তোষে কাল কটাবলৈ ধৰিলে। উত্তৰকূলৰ মানুহেও আমাৰ হাতত আত্মসমৰ্পণ কৰিব খুজিছিল, কিন্তু দৈৱে বিপাক ঘটালে। বাৰিষা আৰম্ভ হলত অসমীয়া সেনাই ৰাতি দেৱালগাৱঁৰ আলিবিজাক আক্রমণ কৰিলেহি। নবাবে তেওঁক সহায় কৰিবলৈ যদগাৰ খাঁ উজবেকক সেনাপতি পাতি এদল সেনা পঠিয়ালে। ইৱন-ই-হুছেইনে লখুগড়ৰপৰা মহম্মদ মুৰাদক শুবিয়াল পাতি খোৱা বস্তু ভৰাই কেতবোৰ নাও পঠালে। নাওবোৰ নিৰাপদে উজনি গৰগাৱঁত লাগিলহি। পহিলা ছৱালত গজপুৰৰ থানাদাৰ আনতাৰ বেগক শত্রুৱে আক্রমণ কৰে। সংগ্রামে তেওঁৰ মৃত্যু হল। গজপুৰ অসমীয়াৰ হাতলৈ গল। সিহঁতে লখুগড় পৰ্য্যন্ত দিহিং নৈৰ সিপাৰে খাল খানি আমালৈ খোৱাসমল অনা-নিয়া কৰা বাটবোৰ বন্ধ কৰি পেলালে। গজপুৰ লবলৈ নবাবে ছাবান্দাজ খাঁ উজবেকক পঠালে। নাও নোহোৱাত তেওঁ টীয়ক মৌজাৰপৰা আৰু আগ বাঢ়ি যাব নোৱাৰিলে। সেইদেখি, তেওঁক সহায় কৰিবলৈ লগত বহুত নাও দি নবাবে মহম্মদ মুৰাদক পঠালে। কিন্তু দুইজন সেনাপতিৰ মত নিমিলাত ১৪ ছৱাল তাৰিখে ছাবান্দাজখাঁ উভতি গল। মহম্মদ মুৰাদ উজাই যাবলৈ ধৰিলে। মুৰাদক হঠাতে ৰাতি অসমীয়াই আগুৰি ধৰাত, উপায় নেপাই সসৈন্যে মুৰাদ অসমীয়াৰ হাতত বন্দী হল। তেওঁৰ নাওবাহিনী অসমীয়াই অধিকাৰ কৰিলে। মাত্র

কেইজনমান আফগান সেনা কোনোমতে সাৰি আহি দেৱালগৰ্বত এই শোকলগা বিপদৰ বাতৰি জনালেহি। এই সময়তে দিহিংনৈৰ পানী বাঢ়ি আহিল। চল পাই অসমীয়াবোৰে লাহাটীত থকা দবিয়াবাদীবিলাকক বেৰি ধৰিলেহি; ইপিনে, পৰ্ব্বতৰ পৰা হোঁ-হোঁ কৰে পানী বাগৰি আহি আমাৰ সেনাক নাজল-নাথল কৰি পেলালে। এতিয়া শত্ৰুবোৰৰ ইমান পিত্ত বাঢ়িল যে সিহঁতে গড়গাৱঁত দেখা দিলেহি। বিপদৰ হাত সাৰিবলৈ মিৰ মুৰ্ত্তাজা বৰ সতৰ্ক হব লগীয়া হল।

দেওপানীৰ থানাদাৰ গাজীখাঁৰ অধীনত ২০টা ঘোঁৰা আৰু ৫০ জন ছিপাহী আছিল। এই অলপীয়া সেনা কেইজনক বৰ গোহাঁইৰ ভতিজাকে দহ কি বাৰ হেজাৰ সৈন্যেৰে আক্ৰমণ কৰে। তেওঁ বহুত দূৰৈ বাট আগুৱাই গাজীখাঁৰ অধীনত থকা [ইব্ৰাহিম খাঁৰ] ভেট হলগৈ। ইব্ৰাহিমখাঁক তৰোৱালেৰে ঘাপ মাৰি ঘোঁৰাৰপৰা মাটিত পেলায়। কিন্তু ইব্ৰাহিম মাটিৰপৰা জাপ মাৰি উঠিল; উঠি, হেঁচা মাৰি ধৰি বৰ গোহাঁইৰ ভতিজাকৰ মূৰ ছিঙি মাটিত পেলালে। সিহঁতৰ গুৱিয়ালক পৰা দেখি অসমীয়াবোৰে তেওঁক সহায় কৰক ছাৰি পলাই পত্ৰং হে দিলে। এই সময়তে গৰগাওঁ, মথুৰাপুৰ আৰু আদমখাঁৰ থানাৰ প্ৰজাবোৰে বাতি ঘৰ এৰি যাবলৈ ধৰিলে। আৰু এই সময়ত বৌচি ফুটিল— কোঁচবিহাৰৰ ৰজা ভীমনাৰায়ণে হেনো, যৱন সেনাক পৰাজিত কৰি খেদি পঠিয়ালে। উৰা বাতৰি শেহত সত্যত পৰিণত হলগৈ। নবাবে এৰি অহাৰ পিছত কোচবিহাৰত যি বিষয়া আছিল তেওঁ জমাবন্দী কৰিবলৈ আৰম্ভ কৰাত প্ৰজাবোৰে খাজনা কহাৰ নতুন নিয়ম বুজিব নোৱাৰি নবাবৰ বিৰুদ্ধে ঠিয় দিলে। অসম ৰজা ভৈয়ামলৈ নামি-লত প্ৰজাবোৰে তেওঁক আদৰি আগবঢ়াই আনিলে গৈ। ছেলীয়ে কঠালবাৰীত ৰজাক বাধা দিছিল; কিন্তু ৰজাৰ আগত তিষ্ঠিব নোৱাৰিলে। তাৰ পিছত অসমীয়াই ইস্ফান্দিয়াৰ খাঁৰ আহাৰৰ উপায় বন্ধ কৰিলে।

ৰজাই তেওঁলৈ চিঠি লেখিলে বোলে তেওঁ যুঁজ কৰি আপদ চোঁচৰাব নালাগে; ঘৰলৈ উলটি যোৱাই ইস্ফান্দিয়াৰৰ পক্ষে শ্ৰেয়স্কৰ। ইস্ফান্দিয়াৰে এই উপদেশ-অনুযায়ী কাম কৰি ঘোৰাঘাটলৈ উভতি গল। আস্কৰ খাঁইও সেই পথকে অৱলম্বন কৰিলে।

আবদুল হুছেইন মিৰ্জ্জাবেগৰ কালুৰ (মোমায়েক) তলত এদল সৈন্য পঠাই গাজীখাঁৰ থানা শকত কৰা হল; কাৰণ, অসমীয়াবোৰে থানাৰ বিপৰীত পিনে খাল খানি থানা আক্ৰমণ কৰিবলৈ চল চাই আছিল। আৰু এদল সৈন্য চৈয়দ চালৰ অধীনত দি গড়গাৱঁলৈ পঠোৱা হল।

মহম্মদ মুৰাদৰ যুদ্ধ-যাত্ৰাৰ ফলাফল জানিবলৈ পাই তেওঁক সহায় কৰিবৰ কাৰণে আৰু আহাৰ অনা-নিয়া বাট পৰিষ্কাৰ কৰিবৰ কাৰণে নবাবে ফাৰহাদ্ কোৱাৰাল খাঁৰ অধীনত এদল সৈন্য লাকোগড়ৰ (?) পিনে পঠালে। সেই দল সেনাক নিযুক্ত কৰা হৈছিল— গজপুৰ লবলৈ ছাবান্দাজ-খাঁক সহায় কৰিবলৈ, আৰু তাৰপৰা মিৰমুল্লা আৰু মহম্মদ মুকিমৰ অধীনত এটা ফৌজ পঠিয়াবলৈ।

১৮ ছাবান—ইং ২৭ মেই, ১৬৬২— তাৰিখে প্ৰবল ধুমুহা-বতাহকো নগনি ফাৰহাদ খাঁ গড়গাৱঁত উপস্থিত হলগৈ; একে ৰাতিতে দিখৌ নৈ পাৰ হল, আৰু দেওপানীৰ পৰা ৰাজধানীলৈ যোৱা বাটতে পাই আবদুল হাছানক লগ ললে। লৈ, দুয়ো বৰ কষ্টেৰে গজপুৰ আৰু তৰমহানিৰ মাজত থকা টীম্বক পালে গৈ। ছাবান্দাজ খাঁইও তেওঁবিলাকৰ লগত যোগ দিলে। অসমীয়াবোৰে ইবিলাকৰ ছাউনীত দেখা দিলেহি। কাজুৰা ফুকনৰ আদেশ মতে সিহঁতে নাৱৰ পৰা গুলী চলাবলৈ ধৰিলে।

ক্ৰমান্বয়ে কেইবা দিনো যুঁজ চলি আছিল। শোভন সিং ৰজাৰ ৰাজপুত সেনাবিলাকে বৰ বল বিক্ৰম দেখুৱাইছিল। ৪১ খন যুদ্ধ-নাও আটক কৰা হল। ফাৰহাদ্, মহম্মদ মুকিমৰ থানা পালেহি। তেওঁ মুকিমৰ মুখৰ পৰা শুনিবলৈ পালে বোলে অধিবাসীবোৰ কেইদিন



মান লুকাই থাকি এতিয়া আহত হৈ ওলাই-চেহি। সেইদেখি, ফাৰহাদ খাঁই মহম্মদ মুমিন বেগক নায়ক পাতি গড়লৈ কিছুমান সেনা পঠালে কাৰণ, সিহঁতে যে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ পাতি ফুৰিছিল তাক সিহঁতৰ গতি-গোত্ৰ দেখিয়েই বেছকৈ বুজা হৈছিল। মতাবোৰক বধ কৰি মাইকীবোৰক বন্দী কৰি অনা হল।

২ জিকাদাত— ইং ৯ জুন, ১৬৬২— ফাৰহাদ খাঁ উভতি নবাবৰ ওচৰলৈ যায়। বন্দী কৰি নিয়া মাইকীবোৰক মোকোলাই দিয়া হল। বাট পদূলিবোৰ বন্ধ হোৱাত থানাবোৰ ওচৰত পৰা হল। নবাবৰ আজ্ঞানতে আদম খাঁই অভয়পুৰ এৰি সদৰ ঠাইলৈ গল। আনবোৰ থানাদাৰে গড়গাৱঁলৈ গৈ সেনাৰ লগত যোগ দিলে। ছাবান্দাজ খাঁ আৰু মিয়ানাখাঁই দিখৌৰ ইটো পাৰত চৌকি দিলে। জেলাল খাঁ, গাজী খাঁ আৰু মহম্মদ মুকিমে মিৰমুৰ তাজাৰ অধীনত দিখৌৰ সিটো পাৰ ৰখিলে।

দিখৌৰ পাৰত বৰ কষ্টেৰে হে চৌকি দিয়া হৈছিল। ছাবান্দাজ খাঁ আৰু মিয়ানাখাঁই তিনি ফালে দিখৌ নলা আৰু একালে দেৱালেৰে বেৰোৱা ঠাই এডোখৰত বাহৰ কৰি আছিল।

মথুৰাপুৰ আৰু গড়গাৱঁৰ বাহিৰে গোটেইখন দেশ আকৌ অসমীয়াৰ হাতলৈ আহিল। আমাৰ ফালৰ কোনো মানুহ বাহিৰ হলেই মৰণত শৰণ দিব লগীয়া হৈছিল। দিল্লী-বুৰঞ্জীত এনে ঘটনা কোনো কালে হোৱা নাছিল। বাৰ হেজাৰ ঘোঁৰা বগুৰা আৰু অসংখ্য মাটি-বগুৰা বৰষুণৰ বাবে ওলাব নোৱাৰি ছমাহলৈ ঘৰৰ ভিতৰতে সোমাই থাকিব লগীয়া হৈছিল। অসমীয়াবোৰে চৌপাশে ঘেৰি আছিল যদিও কেঁঠ আক্ৰমণ কৰা নাছিল। বগুৰাবিলাক দিল্লীলৈ উভতি গৈ ল'ৰা-তিৰুতাৰ মুখ চাবলৈ বৰ উৎকণ্ঠিত হৈ পৰিছিল।

বিজদলি ফুকন (বিহুলী ফুকন) অসমীয়া বগুৰাৰ গুৱিয়াল আছিল। বিহুলী ফুকন জাতত বামুণ (?)। তেওঁৰ বাপেক ভড়ালীৰ পৰা বিষয়া হয়। নামৰূপৰ পৰা আহি শলগুৰিত ৰজাই ঘৰ ললেহি। এই শলগুৰি পূৰ্ব্বে, অসম-ৰজাৰ ৰাজধানী আছিল। মথুৰাপুৰ আৰু গড়গাৱঁলৈ ইয়াৰ পৰা চাৰি পৰৰ বাট। ৰজাই সমূহ প্ৰজাক মতাই অনাই বিহুলী ফুকনক গতালে। এই সেনাপতিজনৰ প্ৰধান ঠাই দিলীহ নৈৰ পাৰত। দিলীহ নৈ মথুৰাপুৰৰ ওচৰৰ পৰ্ব্বতৰ পৰা ওলাই দিহিঙত পৰিছে। খৰালি দিনত এই নৈত আঠুৰনীয়া পানী হলেও বাৰিষা ইয়াৰ সোঁতৰ কোৰত ঠাৱৰিব নোৱাৰি। তেওঁ দিলীহনৈৰ মুখৰ পৰা পৰ্ব্বত এটাৰ গালৈকে তিনি ক্ৰোশ দীঘল প্ৰকাণ্ড গড় এটা বন্ধায় আৰু খাৱৈ খনায়। আৰু, নৈপাৰবোৰ ইমান দকৈ খনালে যে তাত ঘোঁৰাহে নালাগে, মানুহ পৰিলেও উঠিব নোৱাৰে। তেওঁ কেইবাবাৰো দিলীৰ খাঁক নিশা আক্ৰমণ কৰিছিল, কিন্তু পৰাজিত হৈ হটিকি গল।

চাৰিং ৰজাই গৰগাৱঁত শোভনসিংহক সোমাইছিল, কিন্তু খেদা খাই উভতি গল। চাৰিংবোৰ জাতিত অসমীয়া, থাকে দক্ষিণ ফালৰ পৰ্ব্বতত; সিহঁতৰ গুৱিয়ালজনে অসমৰজাৰ পৰা ৰজা বাব পায়। বিজহুলী ফুকনে কটকী পঠিয়াই সন্ধি কৰিব নে বুলি নবাবক সোধায়। নবাবে তাৰ উত্তৰত খাজা ভৱমলৰ জৰীয়তে কৈ পঠালে বোলে "মোলৈ ফুকনে যদি ৫০০ দঁতাল হাতী, পেচকচস্বৰূপে ত্ৰিছলাখ তোলা সোণ, তাকে চাই ৰূপ, পাৎশ্বাহলৈ উপহাৰ-স্বৰূপে ৰজাৰ জীয়েকক, বছৰি ৫০টাকৈ দঁতাল হাতী দিবলৈ আৰু যৱন সেনাই গৰকা ঠাই ডোখৰ এৰি দিবলৈ মান্তি হয়, তেন্তে মই যুদ্ধ স্থগিত ৰাখিব পাৰোঁ। ৰজাই কেৱল নামৰূপ আৰু পৰ্ব্বতীয়া ঠাইডোখৰতহে ৰাজত্ব কৰিব পাৰিব।"

এই বাতৰি লৈ ভৱমল ফুকনৰ ওচৰলৈ গল। ফুকনে তেওঁক আদৰ-সাদৰ কৰি সোধা-পোছা কৰিলে। আৰু দুপৰ নিশালৈকে দুয়ো নীৰৱে পৰামৰ্শ কৰি শেহত বিজহুলী ফুকনে ইয়াকে কলে——'এই প্ৰস্তাৱত যদি ৰজা মান্তি নহয় তেন্তে মই নিজেই নবাবৰ লগ লাগিমগৈ।' ভৱমল দুদিনৰ মূৰত ঘূৰি আহিল। কিন্তু, ইতিমধ্যেই, অহনী-গ্ৰহণীৰ প্ৰাদুৰ্ভাৱ হোৱাত

নৱাৱ গড়গাৱঁলৈ উঠি গল। নবাবে ঠাই লবোৱা দেখি অসমীয়াই তেওঁ দুৰৱস্থাত পৰিছে যেন ভাবিলে। বিজ্জুলী ফুকনেও ইয়াকে ঠিবাং কৰি তেওঁ প্ৰতিজ্ঞা কৰাতো তালৈ নাহিল।

## গড়গাৱঁত মছলমান সেনাৰ অৱস্থা।

অসমীয়াবোৰে ঘূৰি-ঘূৰি আক্ৰমণ কৰিবলৈ ধৰিলে; ৰজা-ফুকনৰ ঘৰ বাৰীবোৰ পুৰি পেলালে। ৭ জিকুৰাদাত—১৪ জুন, ১৬৬২—ফাৰহাদ্ খাঁ, ছৈয়দ ছালাৰ আৰু কোৰাবাল খাঁ সেইখিনি পালেগৈ। মিৰমুৰ্ত্তাজাই বৰ যত্নেৰে নগৰ ৰক্ষা কৰিবলৈ ধৰিলে। শক্ৰসেনাৰ বৰ হেঁচা পৰাত উত্তৰ পছিম চুকে এটা বাঁহগড় সজোৱা হল। গড়টোৰ এমূৰে দিখৌ নৈ আৰু এমূৰে কাবেঙৰ উত্তৰ কোণ পৰ্য্যন্ত জুৰি পেলালে। অহনীয়ে ধৰা বহুত নবীয়াক মিৰ্জ্জা মুৰ্ত্তাজাই বেৰাৰ ভিতৰলৈ তুলি আনিলে। সেইদৰে চাঁচনি (ভাজনি) মৌজাৰ মানুহবোৰকো ৰাজ কাবেঙৰ উত্তৰ খাটৈ-দাতিৰ পৰা তুলি অনা হল। এদিন ৰাতি চোৰাংকৈ অসমীয়াবোৰে বাঁহগড় ভাঙ্গি গড়গাওঁ নগৰৰ আধা অধিকাৰ কৰিলেহি। শক্ৰ নো ক'ত সোমাই আছিল তাকে ভাবি মিৰ মুৰ্ত্তাজা বিয়োৰত পৰিল। এনে সময়তে অসমীয়া এটাই ৰাজকাবেঙৰ ছপ্পৰত জুই লগাই দিলে—ঘোপ মৰা এন্ধাৰ ৰাতি গোটেইখন চোকলীয়া দিন যেন হল।

যুদ্ধত ফাৰহাদ্ খাঁৰ হাত ভাগিল। ৰাতি অসমীয়াই নেৰানেপেৰাকৈ আক্ৰমণ কৰিবলৈ ধৰিলে। সিহঁতে প্ৰধানকৈ দিলীহ নলা আৰু দাড়কা (দৰিকা) নলাৰ ওচৰতহে জোকাইছিল। দাড়কা নলা গড়গাৱঁৰপৰা এক্ৰোশ আতৰেদি উত্তৰ-পূৰে বৈ গৈ দিহিঙ্গত পৰিছে। এই নলাৰ ওপৰত এখন দলং আছে; তাৰ ওপৰেদি গড়গাওঁ আৰু মথুৰাপুৰলৈ অহা-যোৱা কৰিব পাৰি। অসমীয়াবোৰে এদিন ৰাতি এই দলংখন ভাঙ্গি পেলায়। কিন্তু, তৎক্ষণাৎ সাজি ৰাতিয়ে-দিনে পহৰা দি থকা হল। শক্ৰইতে বহুত যোৱা ৰন্ধৰ ভঁড়ালো পুৰি পেলালে।

শক্ৰৱে দিলীহ নৈ পাৰ হৈ কাকজান নলাৰ ওচৰত মথাউৰি বান্ধিলে। কাকজান নলা দিলীহ আৰু দাড়কাৰ মাজত বৈছে। ৮ জেলহাজত—১৫ জুলাই ৬২পুনৰ নৈশ আক্ৰমণ আৰম্ভ হল। ফাৰহাদ্ খাঁৰ হাত ভাল নেহোৱা দেখি নৱাবক কামৰূপৰ আজৰি দিবলৈ খাটিলে। ১১ জেলহাজ তাৰিখে, সৈন্য-সামন্ত লৈ ৰাছদ খাঁ পালেহি। পাছদিনা ফাৰহাদ্ মথুৰা পুৰলৈ গল। তাৰ পিছত অসমীয়াই নিতৌ আক্ৰমণ কৰিবলৈ ধৰিলে। ১৬ জেলহাজত ৰছিদ খাঁই কাকজান মথাউৰি অধিকাৰ কৰি ১৭০টা মানুহ বন্দী কৰি লৈ আহে। পিছদিনা সিহঁতক এই লিখকে নৱাবৰ ওচৰত ভেটাই দিয়েগৈ। নৱাবে সিহঁতক ওলোটাই পঠালে। পাছে, সিহঁতৰ গুৰিয়ালবোৰক শিকলিৰে বান্ধি পেলোৱা হল আৰু বাকীবোৰক দাড়কা নলাত পেলাই দিয়া হল।

গজপুৰৰ থানাদাৰ আনৱাৰ বেগ মৰাৰ পিছত ইবন-ই-হুছেনে আলি বেগক গুৰিয়াল পাতি গজপুৰ লবলৈ আৰু অসমীয়াই বন্ধা গড় ভাঙ্গি পেলাবলৈ এক বাহিনী নাও পঠিয়ায়। আলিবেগে পোন কোবতে গড় অধিকাৰ কৰিব নোৱাৰি গজপুৰ আৰু দেৱালগাৱঁৰ মাজ ঠাই বাঁহবাৰীতে নাও বান্ধি, গড়ৰ বাহিৰতে ৰাতিটো থাপ দি থাকিল। শক্ৰ হাতৰপৰা বহুত নাও কাঢ়ি লোৱা হল। সেইবোৰৰ ভিতৰত বহুত নাও মহম্মদ মুৰাদৰ আছিল। মদাৰ খাঁই দেৱালগাওঁ এৰি লাকুগড়ত ইবন-ই-হুছেইনৰ লগ ললেগৈ। ইবন-ই-হুছেইনে তাত গড় বন্ধাইছিল। শিলাগড়ত (চিলাবন্ধাগড়ত) পুনৰ আক্ৰমণ হয়। ১০৭৩ হিজৰী শকৰ ৭ মহৰম তাৰিখে ছৈয়দ নছিৰুদ্দিনৰ মৃত্যু হয়। তাৰ পিছত শক্ৰৱে কেইবাৰাবো আক্ৰমণ কৰে। বৰ গোহাঁইক বন্দী কৰা হল। মদ্গৰ খাঁই আকৌ দেৱালগাওঁ লয়। দেৱালগাওঁ জিন্না লোৱাৰ খাতৰি নৱাবলৈ পঠিওৱা হল। গড়গাৱঁত নৱাবে এই শুভ খাতৰি ছুফৰ মাহৰ আৰম্ভনতে শুনিবলৈ পায়। (ক্ৰমশঃ)—

---

# পৰ্দ্দা-ৰহস্য।

## প্ৰথম অধ্যায়।

ৰেল এৰে এৰে। মধ্যম শ্ৰেণীৰ গাড়ীখনৰ দুৱাৰমুখলৈ গৈ দেখিলোঁ। তাত অকলশৰে গাভৰু ছোৱালী এজনী। ছোৱালীজনীৰ গাত ধপধপীয়া বগা শাৰী এখন আৰু চিকুণ ব্লাউচ নে ক্লাউচ এটা; ভৰিত জোতা। ভাবিলোঁ,—কলেজ কি স্কুলত পঢ়া কৰবাৰ ছোৱালী হব পায়। কিন্তু ছোৱালীজনী যেয়ে হওক লাগিলে মই এতিয়া তাইৰ লগত একেলগে যাওঁ কেনেকৈ? আশে-পাশে ডেকা লৰা কেইটামানে গা মেলাই আছিল, ছোৱালীজনীৰ পৰা সিহঁতৰ চকু যে আঁতৰিবই নোখোজে। মোক ছোৱালীজনীৰ লগত একেলগে থোৱা দেখিলে সিহঁতে ভাবিবই বা কি, কবই বা কি? সিহঁতক মই বঢ়িয়াকৈ জানো,—টোটোকে ৰোটো কৰাত সিহঁতৰ সমকক্ষ এই অঞ্চলত আৰু কেওঁ নাই।

কিন্তু ৰেল যে এৰেই। মই ইংৰাজীতে তাইক কলোঁ,—"এইটো যে তিৰোতা মানুহৰ কুঠৰী নহয়।"

দুৱাৰখনতে ধৰি তাই বাহিৰলৈ চাই আছিল। মোৰ কথাষাৰ শুনা মাত্ৰকে তাই সিফালৰ বেঞ্চ-খনত গৈ বহিল। ময়ো সোমাই গৈ ইফালৰ বেঞ্চখনত বহি পৰিলোঁ। এখন বেঞ্চত তাই আৰু ইখন বেঞ্চত মই।

মোৰ কথাষাৰৰ উত্তৰত তাই ওঁ-আঁ একো নকলে কেলেই? কিন্তু তাইৰ কবলৈ আছেই বা কিটো? আকৌ ভাবিলোঁ,——মই তাইক তেনেকৈ কোৱাটো অশুৱনি হল নে কি? তেনেকৈ কবৰ মোৰ এক্তিয়াৰেই বা কি? কুঠৰী-টোত তাই নেযাব বা কেলেই? এই কুঠৰীটো যে অকল মতা মানুহৰ নিমিত্তেই তাৰ তো একো নিদৰ্শন নাই।

এবাৰ তাইৰে মোৰে চকুৱে চকুৱে পৰিল। তাইৰ চকুযোৰ লানিবা ফিৰিঙ্গটি জুই হে। মুখখনতো কিবা এটা বিমবিম ভাব বৰ্ত্তমান। মোৰ কথাষাৰত তাই যে ক্ষুণ্ণ হৈছে তাত আৰু সন্দেহ কি? তাই মোক ভৰিৰ পৰা মূৰলৈকে ভালকৈ এবাৰ নিৰীক্ষণ কৰি ললে। মই যেন ডেই-পুৰি যাবলৈ ধৰিলোঁ। তাই মোলৈ সেই দৰে চাইছে কেলেই? মোক তাই কিবা কৰ্ক-শনা কৰিব খুজিছে নে কি? হয়,—তাই মোক কিবা এটা কয় হে লাগে। তাইৰ ওঁঠ দুটা লৰি উঠিল। মই প্ৰমাদ গণিলোঁ।

"আপুনি কোনখিনি পাবগৈ?"

তাই মোক তেনেহলে একো কুট কাটৰ কৰা নাই। মই আথেবেথে উত্তৰ কৰিলোঁ,—"মই ৰংদৈ পামগৈ। আ—আ—তুমি?"

মই কব খুজিছিলোঁ আপুনি, কিন্তু মুখৰপৰা তুমি ওলাই গল। ভাবিলোঁ,—দোষ নো কি? তাই মোৰ ভনীৰ লগৰ ভনী। আন নহলেও মই তো তাইতকৈ বয়সে ডাঙৰ।

"মই যাম শিমলুগুৰীলৈ।"

আগে-পাছে কেইবাবাৰো মই শিমলুগুৰীলৈ গৈছোঁ। তাৰ প্ৰায়বিলাক মানুহকে মই চিনি পাওঁ। সেই দেখি তাইক সুধিলোঁ,—"কাৰ ওচৰলৈ?"

তাই উত্তৰ কৰিলে,—"ষ্টেশ্যনমাষ্টৰৰ ওচৰলৈ।"

"তেওঁ তোমাৰ কি হয়?"

"একো নহয়।"

"একো নহয়! চিনা-জনা মানুহ?"

"চিনা জনাও নহয়। তেওঁ নো কেনেকুৱা তাকে মই দেখা নাই।"

"পিছে, আহিছা নো কেলেই?"

"তেওঁ মোক মাতি পঠাইছে।"

"ও তেনেহলে তেওঁ তোমাক চিনি পায়। তুমি হে নোপোৱাঁ।"

তাই মূৰ দুপিয়াই সেই কথা স্বীকাৰ কৰিলে। মোৰ মনলৈ তেতিয়া কি ভাব আহিল মনত নাই। অলপ পৰ টলকা মাৰি থাকি মই তাইক সুধিলোঁ,

—"তেওঁ নো তোমাক কেলেই মাতি পঠাইছে কব পাৰোঁ নে ?"

গহীন ই তাই উত্তৰ কৰিলে,—"পাৰোঁ", চাহাবক দিবলৈ।"

দ্বিতীয় অধ্যায়।

আলিৰ দুকাষে চাহ-গছবিলাক শোভা পাবলৈ ধৰিলে। যেনি চোৱা যায় মাথো ন চাহ-গছকেহে দেখি। মাজে মাজে চাহাবৰ দুটা-এটা পকী চাং-বঙলা আৰু কুলীৰ লেলপেলীয়া জলহ পজা। বনৰ প্ৰকোপত ঠাই নাই। মই ঘড়ী চাই দেখিলোঁ এক বাজিবলৈ আৰু আঠ মিনিট বাকী।

তাই মোক কলে যে ইয়াৰ আগেয়ে তাই এটা চাহাবলৈ গৈছিল। কিন্তু তিনি মাহ মান হৈছে সি তাইক এৰি দিলে। তাৰ পাছত এতিয়ালৈকে তাই একো সুবিধা কৰি লব পৰা নাই।

মই তাইক সুধিলোঁ,—"তোমালোক যে চাহাবলৈ যোৱা, সিহঁতে জানো তোমালোকক সঁচাকৈয়ে ভাল পায় ? তোমাক বাৰু পাইছিল নে ?"

"পাইছিল হওঁতে। কিন্তু সিহঁতৰ মৰমচেনেহ বেছি বগা মেমলৈহে। হেজাৰ হওক বগাই কলাক ভাল পাব নোৱাৰে।"

"তেনেহলে তুমি গলা নো কেলেই ?"

"নগৈ কৰিলোঁহেঁতেন নো কি ?"

"কেলেই ?"

তেতিয়া তাই আদ্যোপান্ত তাইৰ সকলো কথা কলে তাই বামুণী ছোৱালী। দহ কি এঘাৰ বছৰ বয়সত তাইৰ বিয়া হয়, কিন্তু শাস্তি হোৱাৰ পূৰ্ব্বেই তাইৰ গিৰীয়েক ঢুকায়। স্বামীনো কি বস্তু তেতিয়া তাইৰ একো বুজেই নাই। লাহে লাহে তাই ডাঙৰহৈ আহিল, পোন্ধৰ বছৰত ভৰি দিলেহি, অন্তৰত ফুলোঁ ফুলোঁ হৈ থকা ভাব-ভঙ্গিমাবোৰ এটি এটিকৈ নৱ নৱ ৰূপ ধৰি মুকুলিত হৈ উঠিল। লক্ষ বাসনাই তাইৰ মন প্ৰাণ অধিকাৰ কৰি পেলালে। ভোমোৰাৰ গুণগুণনিত, বিজুলীৰ চকমকনিত, মলয়াৰ সুৰ-সুৰণিত তাই নতুন সুৰ নতুন কথা পালে। এনেতে সেই গাৱঁতে আহিল পোষ্টমাষ্টৰ এজন বদলি হৈ। তেৱেঁই জানিবা ছোৱালীজনীৰ কাল হল। সময় পালেই পোষ্টমাষ্টৰ তাইৰ মাক-বাপেকৰ ওচৰলৈ আহিবলৈ ধৰিলে আৰু চাওঁতে চাওঁতে আজলী ছোৱালীজনী পোষ্টমাষ্টৰৰ চিটিকাত লাগিল। ধিতিঙা পোষ্টমাষ্টৰৰ তাই একেবাৰে বশ হল। গোটেই গাৱেঁ সেই কথা জানিলে। পুখুৰী-পাৰত গাৱঁৰ বোৱাৰী-জীয়াৰীহঁতে গা ধুবলৈ গৈ তাৰেহে কথন মথন কৰিবলৈ ধৰিলে। ইজনীয়ে বোলে,—"কি হল ! কি হল !" সিজনীয়ে বোলে,—"গোৰে পোৱে তল গল।" এইবিলাক কথা যেতিয়া শুনিলে তেতিয়া ছোৱালীজনীৰ গালৈ হঁচ আহিল, কিন্তু উপায় নাই। একমাত্ৰ উপায় পোষ্টমাষ্টৰ। কিন্তু তেতিয়া তেওঁ আন এক মূৰ্ত্তি হৈ পৰিল। কথা বিসঙ্গতি যেন দেখি তেওঁ ছুটী লৈ কৰণাৰ মাসুহ কৰবালৈ গুচি গল। ইফালে তাই মানুহ আৰু সমাজৰ নিন্দা-গৰিহণা শহি সহি আৰু সহিব নোৱাৰি এদিন নগাটিঙৰ ছোট চাহাবৰ মেম সোমাল গৈ।

মই সুধিলোঁ।—"চাহাবলৈ যে গলা, আমাৰ মানুহলৈনো নগলা কেলেই ? বামুণ নেপালা, একো কথা নাই, আন জাতৰো আৰু কাকো নেপালা নে ? একো নেপালা, মৈমনসিংহীয়া পালাহেঁতেন হে তেও।"

"সিহঁতলৈ যোৱাহেঁতেন নো কি হলহেঁতেন ?"

"কি হলহেঁতেন ! সিহঁতে আদৰ-সাদৰ কৰি মূৰত তুলি ৰাখিলেহেঁতেন। এতিয়াই নকলা চাহাবে এবছৰ নোহওঁতেই খেদাই দিলে বুলি। মৈমনসিংহীয়াই তেনে কৰিলেহেঁতেন জানো ? হেজাৰ হওক, সিহঁত যে আমাৰে কলা মানুহ !"

তৃতীয় অধ্যায়।

বপুৰী ছোৱালীজনীক ষ্টেশ্যনমাষ্টৰে নো কোন চাহাবক দিবলৈ আনিছে মই তাকে হে ভাবিবলৈ ধৰিলোঁ। শিমলুগুৰীত চাহাব আছেই বা কেইটা ? যি কেইটা আছে সিহঁতৰ কলা বা বগা এজনী-আধ জনী মেম আছেই দেখোন। কব নোৱাৰোঁ আকৌ,—কিজানি কোনোবা কৰবাত কেনেবাকৈ উকা হৈ আছেই বা।

এবাৰ মোৰ ইচ্ছা হল ছোৱালীজনীক কৈ দিওঁ যে তাই অচিনাকী মানুহ এটাৰ কথাতে আহি



ভাল কাম কৰা নাই। ষ্টেশ্যনমাষ্টৰৰ বিশ্বাসেই বা কি ? কিন্তু বিশ্বাস যে নাই সেইটো নো বাৰু ভাঙি কেনেকৈ কওঁ ?

তাইক মই সুধিলোঁ,—"পিছে, ষ্টেশ্যনমাষ্টৰে নো কোন চাহাবক দিব খুজিছে, তাৰ কিবা সম্ভেদ পোৱা নে ?"

"নাই —নেপাওঁ।"

"কেলেই, চিঠিত জানো লিখা নাই ?"

"নাই লিখা।"

"তুমি তেনেহলে কেলেই নো আহিলা ? ষ্টেশ্যনমাষ্টৰে ঠিক কৰি দিলে বাৰু ভালেই হল দিব নোৱাৰিলে পিছে।"

ছোৱালীজনী নিৰুত্তৰ। মোৰ বুজিবলৈ বাকী নেথাকিল যে তাইৰ মনত সেইবোৰ কথা একো খেলোৱাই নাই। মই কবলৈ ধৰিলোঁ,—"শিমলুগুৰীত যে কিবা সুবিধা হব তাৰ আশা মই দেখাত হলে খুব কম। তাত কেইটাই বা চাহাব ? তুমি এটা কাম নো নকৰা কেলেই ? শিমলুগুৰীত বা কি হয় কি নহয়, তুমি এই ৰংদৈতে এবাৰ সোমাই যাব পাৰা দেখোন।"

"ইয়াত চাহাব ভালেমান আছে নে কি ?"

"তাকো নেজানা নে ? এই ৰংদৈত নাই নাই বুলিও কুৰি পঁচিশখন বাগিচা, তাত খনে তিনটাকৈ হলেও ষাঠি-সত্তৰিটা চাহাব। ইয়াত যদি নহয় তেনেহলে আৰু যে কত হব তুমিয়েই বাৰু কোৱাঁচোন ?"

"হয় হওতে।—পিছে, আগেয়ে শিমলুগুৰীৰ পৰাই আহোঁগৈ। ষ্টেশ্যনমাষ্টৰে মাতিছে যেতিয়া নোযোৱাটো ভাল হব জানো ? এবাৰ গৈ অহাত তো একো লোকচান নাই। কি বোলে ?"

মই নো বাৰু কি বুলিম ! আগৰজন ষ্টেশ্যনমাষ্টৰক হে মই চিনি পাওঁ, এতিয়াৰ জনক যে নেপাওঁ। এতিয়াৰ জন হওঁতে অসমীয়া মানুহেই, কিন্তু তেওঁ কলা নে বগা মই তাকে কব নোৱাৰোঁ। তেওঁ অহাৰ পিছত মই শিমলুগুৰীলৈ এবাৰো যোৱাই নাই। তেনেস্থলত তেওঁৰ ওচৰলৈ যোৱাত লাভেই নে লোকচানেই মই নো বাৰু কেনেকৈ কওঁ ! তেওঁৰ স্বভাৱ চৰিত্ৰৰ কথা মই যে একোকে নেজানো।

মোক নীৰৱ দেখি ছোৱালীজনীয়ে মাত লগালে,—"কতা, একো নকলে দেখোন।"

"বেচ তাকে কৰোঁ। শিমলুগুৰীলৈকে এতিয়া যোৱা। তাত ষ্টেশ্যনমাষ্টৰৰ পৰা একো নহয় যদি ইয়ালৈকে আহিবা। মোৰ তো ধ্ৰুৱ বিশ্বাস ইয়াত তোমাৰ সুবিধা নোহোৱাকৈ কেতিয়াও নেথাকে।"

কি জানো কি মন গল, অলপ পৰৰ পিছতে মই তাইক সুধিলোঁ,—"পিছে, এটা কথা। শিমলুগুৰীত ৰাতি থাকিব লগীয়া হলে ষ্টেশ্যনমাষ্টৰৰ তাত হে থাকিব লাগিব হবলা ?"

তাই উত্তৰ কৰিলে,—"এৰা।

লাহে লাহে ৰেলৰ বেগ কমি আহিল, ৰেল ৰল। সেইটোৱেই ৰংদৈ ষ্টেশ্যন। মই নামি পৰিলোঁ। কোৱা বাহুল্য যে সেই ৰেলতে ছোৱালীজনী শিমলুগুৰীলৈ গল। ৫৩৯০/অ:

চতুৰ্থ অধ্যায়।

তিন দিনৰ দিনা শিমলুগুৰীলৈ গলোঁ। ষ্টেশ্যন পাই ইচ্ছা হল ষ্টেশ্যনমাষ্টৰক এবাৰ সোধো তেওঁ নো ছোৱালীজনীৰ কিবা এটা দিহা লগাব পাৰিলে নে নাই। কিন্তু সুধিবলৈ কেনেবা কেনেবা লাগিল,—কি জানি যদি তেওঁ মোক বেয়াকৈ পায়।

সেই একেদিনাই শিমলুগুৰীত যি কাম আছিল সকলো শেষ হল। পিছ দিনা দুপৰীয়া ভাত-পানী খাই উঠি ভাবিলোঁ এনেয়ে থাকিলে গুৱহে লাগিব, এবাৰ কনকৰ ওচৰৰ পৰাই আহোঁচোন। কনক মোৰ বাল্য-বন্ধু। তহানিখন স্কুলত পঢ়া দিনত দুয়োৰে ভিতৰত ভালকৈয়ে ঘনিষ্ঠতা আছিল, এতিয়া অৱশ্যে সেই দিনো নাই সেই ভাবো নাই। কনক বাগিচাৰ মেনেজাৰ, কথাই-বতৰাই সাজে-পাৰে যোল অনা চাহাব। দুই-চাৰিটা ইংৰাজী শব্দ নলগালে তেওঁৰ কথাই কোৱা নহয়। তেওঁৰ কথাবোৰ শুনিবলৈ মোৰ ভাল লাগে। নিজৰ বাগিচাখনৰ কথাকে কত ৰকমে যে ওফাইদাং মাৰি এঠাইত জোৰ দি এঠাইত চেপি ধৰি কনকে কবলৈ ধৰিব

চাইলাখ ভাৰৰীয়াৰ বচন হে মাতিছে জানিবা। এইবিলাকৰ বাবেই শিমলুগুৰীলৈ আহিলে মই পৰাপক্ষত কনকৰ ওচৰৰ পৰা পাক এটা নমৰাকৈ নেথাকোঁ।

কনকৰ বাগিচালৈ ছমাইলমান বাট। ৰাইচি-কেলখনত উঠি মই একেবাৰে বঙ্গলাৰ জপনা-মুখৰ ওচৰত ৰলোঁগৈ। চকীদাৰে মোক চিনি পায়, সেই দেখিয়েই চেলাম দি দুৱাৰ খুলি দিলে। মই সোমাই গলোঁ।

"হেৰ মনাই, আছ নে? দেউতাৰে কৰিছে কি?"

মনায়ে ভিতৰৰ পৰা ওলাই আহি শেনশেনাই কৰলৈ লাগিল,—"এ,—আপুনি হে। মই বোলো ছুপৰীয়াখন কোন ওলালহি আকৌ। পিছে,—আপুনি আহিলনো কেতিয়া? ইয়াত আৰু থাকিব বা কেই দিন? অ,—আপুনি দেউতাৰ কথা সুধিছিল নহয়! দেউতা শুই আছে। ছুপৰীয়া আকৌ খাই-বৈ এক্ষন্তেক শোৱে নহয়! জগাই দিম গৈ নে কি? আপুনি আহিছে বুলি কওঁগৈ যাওঁ।"

মই কলোঁ,—"জগাব নেলাগে বাৰু দেউতাৰক, তৎ পাচোন। গৰমত গা জ্বোল হল দেখা নাই নে? অলপমান পাঙ্খাখনকে চোন টান।"

সি পাঙ্খা টনাত লাগিল। মই আৰামী চকীখনত বহি হাওৱা খোৱাৰ লগে লগে চাৰিও-ফালে চকু ফুৰাই চাবলৈ ধৰিলোঁ,—ঘৰটোৰ দেখোন গোটেই খনতে পৰ্দ্দা হে পৰ্দ্দা। আগেয়ে তো পৰ্দ্দাৰ এনেকুৱা বাহাৰ কোনো কাহানিও মই ইয়াত দেখা নাই। মই মনাইক সুধিলোঁ,—"হেৰ মনাই, এইবাৰ দেখোন পৰ্দ্দা হে পৰ্দ্দা। খবৰ কি?" "ভনীয়েক আহিছে নহয়! তিৰোতা মানুহ থাকিলে পৰ্দ্দা নিদিয়াকৈ কেনেকৈ?"

"কেতিয়া আহিল?"

"হৈছে কেইদিন মান"

'আহিছে বা কেলেই?"

"কেলেই! ককায়েকৰ ওচৰলৈ ভনীয়েক নাহে নে কি?"

এনেতে মোৰ পিছফালে কাৰোবাৰ কাপোৰৰ খচমচনি শুনি উলটি চাওঁ,—দেখোন বেলত লগ পোৱা সেই ছোৱালীজনী।

"কি তুমি ইয়াত একো সুবিধা কৰিব পৰা নাই নে কি?"

"ইয়াতকৈ আৰু আপুনি কি সুবিধাৰ কথা কয়?"

"কি কৈছা ভালকৈ কোৱা, মই তোমাৰ কথা একোকে বুজিব পৰা নাই।"

"এই মেনেজাৰ চাহাবেই মোক ৰাখিছে নহয়,—খোৱা-বোৱা কাপোৰ-কানি আৰু তাৰ উপৰি মাহে একুৰিকৈ দৰমহা। বেয়া হৈছে জানো? ষ্টেশ্যনমাষ্টৰে সেই দিনাই নিজে আনি মোক গতাই দিলেহি।"

মই তো শুনি অবাক! মনাইৰ ফালে খোপাকৈ চাই তাক মই সুধিলোঁ,—"কি অ মনাই! কি কৰ এতিয়া? এই জনীয়েই দেউতাৰৰ ভনীয়েক নে কি?"

সি উত্তৰ কৰিলে, —"আমাক হুকুম দি দিছে আকৌ মানুহে সুধিলে ভনীয়েক আহিছে বুলি কবলৈ, আমি নকৈ কেনেকৈ! ডাঙৰ লোকৰ ডাঙৰ কথা—সেইবোৰৰ আমি তলানলা বা কি বুজি পাওঁ।"

শ্ৰীলক্ষ্মীনাথ ফুকন।

---

## গছ পলু ৰহস্য।

গছ-মুগা চোমপাত খাই পকিলে পকা মুগা-খিনি ধৰি আনি শুকান ভুমৰতি বা পাতিসোন্দা পাতৰ জালি এটাত দিলে শুকান ভুমৰতি পাতৰ জালিত সূতা দি বাঁহ বান্ধে। তিনি চাৰি দিনা সূতা দিয়াৰ পাছত শুকান পাতৰ জালি ভাঙি গুটি গুটি মুগা খিনি বাঁহৰ কাঠীৰ মুগা মেলি থোৱা চকৰী পেৰাত ভৰাই পেৰাৰ উপৰত বাণ এখন দি মুগা খিনি গোট গোটকৈ মেলি থব লাগে।



পকাৰ পৰা পোন্ধৰ দিনৰ পাছত প্ৰত্যেক মুগা-টোৰ পৰা পখিলা চকৰী এটি এটি জগিব। পখিলাখিনি কোলা বুকলি খেৰৰ একুট মান দীঘল কৈ আগৰ সাঁচি থোৱা খৰিকা একো-ডালত পাখি এখিলাত প্ৰত্যেক জনী চকৰীকে বান্ধিব লাগে আৰু প্ৰত্যেক জনী চকৰীৰ লগত খৰিকাটোৰ প্ৰতি চকৰা এটা এটা দিলে "আপুনিয়ে "আৰ" যাব। যিটো "আৰ" নাযায় মানুহে হাতেৰে ধৰি লগাই দিলেই "আৰ" যাব। চকৰী ও চকৰাৰ চিন—চকৰাটো সৰু, চকৰীজনী ডাঙৰ। এই অনুক্ৰমে পখিলা চকৰী যোৰ পাতি ঘৰৰ ভিত-ৰত সৰু সৰু ডোল দি সেইডোলখিনিত খৰিকা-খিনি প্ৰায় ৬ ছয় ইঞ্চিৰ ফাৰক কৰি ডোলখিনি লানি লানিকৈ থব লাগে আৰু গধূলি ধূই দেখাব লাগে। কণী পাৰিবলৈ বন্ধা খৰি-কাখিনি যদি চকৰা কমতি হৈ যোৰ নাথায় তেতিয়া সেই "দিৰা" খৰিকাখিনি পাচি এটাত গোট গোটকৈ থব লাগে। গধূলি সেই দিৰা খৰিকাখিনি বাহিৰত ডোল এডালত খৰিকাখিনি গোট গোটকৈ ৰাজ "আৰ" দিব লাগে। "ৰাজ" "আৰ" দিয়া মন্ত্ৰ এই ফেঁকি গাব লাগে। যেনে "চকৰীয়ে আইছ আইছ, চকৰায়ে আইছ আইছ, চকৰী আছে পোণে পোণে চকৰা আহিবি বাৰীৰ কোণে। চকৰীৰ নাম সুন্দৰী, চকৰা আহিবি গুজৰি॥" গধূলি মাতিব লাগে। ৰাতি-পুৱা দেখিব যে চকৰী আৰু চকৰা যোৰ পাতি থাকিবইহি। পূৰ্ব্বৰ নিয়মে "আৰ" গলে তেতিয়া ভিতৰৰ ডোলত থব লাগে। সেই ডোলতে চকৰাবিলাক "আৰ" ভাগি আপুনি উৰি যাব। চকৰীবিলাকে খৰিকাটোইতত কণী তাইৰ পেটত যি আছে, সেই খৰিকাটোত পাৰিব। কণী পাৰোঁতে বোজ গধূলি বুকলি খেৰ এমুঠি লৈ ধূই তিনিবাৰ দিনো ধূই দেখাব লাগে। ধূই দেখাওঁতে এই নাম ফাঁকি গাব লাগে, "কণী দে কণী দে; মন কৰিলে ছন, চোমনি বাৰীতো ধন"। সেই ডোলত থোৱা খৰিকাখিনি তিনি চাৰি দিন কণী পাৰিলে পখিলাখিনিৰ পাখিৰ সূতাডাল হাত-কটাৰীৰে কাটি পেলাব লাগে। কাটি পেলাই খৰিকাখিনি খৰিকা চাকত ভৰাব লাগে। খৰিকা চাকটো বাঁহৰ সৰু কামিৰে ঘূৰণীয়াকৈ সজা, বেতৰ সূতেৰে ছটা। চাকটোত প্ৰায় ৪০০। ৫০০ খৰিকা ধৰে। পখিলা জগাৰ পৰা ১০।১৫ দিনত মুগাৰ পলু জগে। পলু জগিলে খৰিকা-জগাখিনি যিমান জগে দিনো ৰাতি-পুৱা কলপাত এখনত কাঢ়ি লৈ গছত লগাব। চোমান বাৰীৰ চোম এজোপা হাবি কাটি গুৰি চিকুনাই জগা খৰিকাখিনি এটা এটাকৈ পাতে পাতে লগাব লাগে, নতুবা ৰছি এডালত বান্ধি গছত বান্ধি দিলে আপুনি উঠি পাতলৈ যাব আৰু পাত খাবলৈ আৰম্ভ কৰিব। সেই পহিলা লগোৱা গছজোপা লাই-খৰিকা গছ বোলে। জুতুলি পকা কাঁইট এডাল সেই গছ জোপাত বান্ধি দিব লাগে। তাৰ পাছত ৪।৫ চাৰি পাঁচ দিনলৈ সেই অনুক্ৰমে খৰিকা জগিব। খৰিকাখিনি চাই আন্দাজ কৰি গছে গছে লগাব লাগে। মুগা-চুঙিয়াই খৰিকা লগাই মুগা তলত চালি এখন লৈ মুগা ৰাখিব লাগে। সৰুতে চৰাই ৰখিব, ডাঙৰ হলে কাউৰী চিলনী ৰখিব লাগে, ৰাতি হলে বাদুলি ৰখিব লাগে আৰু পৰা ধৰা মুগাবিলাক বুটলি ধৰি দিব লাগে আৰু মুগা ৰখিবলৈ মাটি খছি মাটিৰ সৰু সৰু বাটলু-গুটি বাটি শুকুৱাই বাঁহৰ ধনুত জোঁৰ লগাই বাটলু-গুটি মাৰি কাউৰী চিলনী চুঙিয়াই ৰখিব লাগে। "হাবিৰে চোম পাত বহি থাক দৰা পাত, সোহাগ তুলিবলৈ যাওঁ, ৰাম জানকী।" খৰিকা লগোৱা গছবিলাক লঠালে পাত নাইকিয়া হলে আকৌ বাহৰ ছান্দলিত ধৰি পাত-লগা গছে গছে লগাব লাগে। মুগা তলত, চুঙিয়া তিনি চাৰি জন মানুহ—মুগা হলে—দৰকাৰ হয়; হাবি কাটিব লাগে, মুগা ধৰিব লাগে, গছত কলপাত, এঁকাল মানত কেচা পাত বান্ধিব লাগে। নহলে, মুগা মাটিলৈ বগাই যাব। মুগা খৰিকা-লগোৱাৰ পৰা তিনি দিনত ছাই উৰে আৰু তিনি দিনত দুই-কাটে আৰু তিনি দিনত তিনি-কাটে আৰু তিনি দিনত মাইকী ওলায়। মাইকী ওলোৱাৰ পৰা ... দহ দিনৰ মূৰত এযোৰ দেও-পলু পকা পায়। মুগা পকিলে শুকান ভূমৰতি-পাত পাটিসোন্দা-পাতৰ

জালিত পকা মুগা, দিব লাগে। সেও-পলু পোৱাৰ পৰা দহ এঘাৰ দিনলৈকে মুগা পকে। দিনৌ গধূলি পকা মুগা খৰাত থ'ব লাগে। খৰলৈ আনি পকাখিনি লেখিব লাগে কিমান হয়। মুগাৰ লেখ—এশক এশ বোলে, এহেজাৰক এখন বোলে। এই অনুক্ৰমে পকা মুগা দিনৌ পকা ধৰি আনি ওপৰত কোৱা মতে শুকান পাতৰ জালিত দিব লাগে। মুগা পকাৰ পাঁচ ছয় দিনত জালি ভাঙিব লাগে। জালি ভাঙি এতালে সকলো গুটি মুগা কিমান খন হল লেখিব লাগে। তাৰ পাছত মুগাখিনি জুই-ধোঁৱাত মাৰিব লাগে। চকৰী পেৰাত ভৰাই তপত শকতকৈ জুই ধৰিলে চুহাত মানত মুগা থাকিব লাগে। তেতিয়া জুইৰ গৰমত আপুনি মুগা মৰিব; নেমাৰিলে সকলো জগিব। মুগা মাৰি এতালে গধূলি পুৱা জুই ধৰাৰ ওপৰত চকৰী পেৰাত ভৰাই মুগা থব লাগে। তাৰ পাছত কাটিবলৈ থ'ব লাগে। দিনৌ ৩০০।৪০০ তুজনী মাহুহে একেলাত কাটিব পাৰে। কটাৰ নিয়ম যেনে— এটা মাটিৰ চকত বা কেৰাহিত খাৰণিৰ পানীত সিজাব লাগে। সিজা মুগাখিনি অন্য এটা মাটিৰ চকত তপত খাৰাণত দি সিজা মুগাৰ সূতা এডাল এডালকৈ কঁৰিয়াই হিৰ লগাই দিব লাগে। আগত থকা মানুহজনীয়ে তেওঁৰ নিজৰ বাওঁ হাতখনৰ ঠকুৰাত পাক দিব আৰু সোঁহাতখনেৰে কৰাশলি ভাৰঁৰি ঘুৰাব। তেতিয়া সূতা আপুনি পাক খাই "কৰাশলিত" সোমাব। তেওঁৰ কাম খালি কৰাশলি ঘুৰাব আৰু হাতৰ ঠকুৰাত ঘঁহাই পাক দিব, যেতিয়ালৈকে সিজা মুগা আদায় নহয়। "হিৰ" দিয়া গৰাকীৰ কাম মাত্ৰ সিজা মুগাখিনি তপত খাৰণিৰ চকত হাতেৰে এটি এটি আঁহ উলিয়াই হিৰত লগাই থাকিব। আগত থকা গৰাকীয়ে ভাৰঁৰিহে ঘুৰাব। সিজা মুগাৰ পৰা ওলোৱা আঁহডালকে "হিৰ" বোলে। আগে পাছে দুজনী মানুহ ভাৰঁৰিত কাটিবলৈ লাগে। ভাৰঁৰিটো কাঠৰ, চেপেটা, মাজত অলপ সৰু, সোঁমাজত এটা বিন্ধা আছে, এহাত দীঘল। কৰাশলি "নাহৰৰ" গোটা মাৰি —দেৰহাত মান দীঘল, এমূৰে ভাৰঁৰিত সুমুৱাই ঘুৰালে গধুৰ হয়। লোৰ ঢকাৰ দৰে ঘূৰি সূতাও কৰাশলিত সোমায় আৰু পাকো খায়। এইদৰে ছয় সাত দিন কাটিলে কৰাশলিত সূতা কলডিল এটামান হলে তেতিয়া এটা ডাঙৰ লেটাইত থব লাগে। বাঁহৰ খুটি দুটাত লেটাইটো দুমূৰে সুমুৱাই যঁতৰৰ ৰটিয়া তাত লগাই দি যঁতৰ ঘুৰালে লেটাইটো আপুনি ঘুৰি সূতা লেটাইত সোমায়। সূতা লেটাইত দুটকামান হলে এনেছা কৰ। এই দৰে সূতা নেছা নেছা কৰি কোৱা হয়। সেই সূতা ৰ'দত ভালকৈ শুকালে সেই সূতাৰে অনেক ৰকম কাপোৰ কৰিব পাৰি আৰু সূতাকৈও বেচিব পাৰি। মুগাৰ সূতাৰ দাম শুকান ভাল সেৰে ৩০ৰ পৰা ৪০৲ টকালৈকে আছে।

শ্ৰীলীলাকান্ত গোহাঁই।

---

# স্বৰলিপি।

ৰচোতা—শ্ৰীযুত ভিবেশ্বৰ নেওগ। স্বৰলিপি—শ্ৰীযুত ইন্দ্ৰকান্ত সন্দিকৈ।

‖ সা সা | সা নি সা | ৰে ৰে | ৰে | গো গো | গো মা |
হৃ দয় দি য়া বু ৰাই নতুন্ প্ৰে মৰ বা ণে

| ৰে গোমাপামা গো | ৰে ‖
ৰে ——— —

‖ সা ৰে মা পা | নো নো | ধা নোধা পা |
গো টেই জী ৱন্ উ ঠক্ জি লি

| সা ৰে | মা পা | নো সা নো | গো ৰে ‖
নি ছুট্ গা নে ৰে —— ——

অন্তৰা

‖ মা পা পা / নি নি / সা সা | সা সা | নো নো | ধা পা | মা পাধা নো সা |
কঁ পে ষ নাই প ৰাণ্ ত মু ক ৰা মু গুধ্ প্ৰ তি ——

| ধা পা ‖ ‖ সা ৰে | মা পা | নো নো | ধা নোধা পা | সা ৰে | মা পা
অ চু ৰ জাই তো মাৰ্ হৃ দয় ৰে গু ম ধুৰ্ তা নে

| নো সা নো | গো ৰে ‖
ৰে —— ——

‖ সা সা | সা নি সা | ৰে ৰে / ৰে / গো গো | গো মা / ৰে গো মা পা মা গো |
ৰ বি শ শী আ জি ই মিলন্ থা কক্ নিৰ থি ——

| ৰে ‖ ‖ পা সা | নি সা / ধা নো | ধা নোধা পা | মা গা | পা মা | ৰে গামা মা |
— আ নন্ দ গান্ বা জক্ অ ন্তৰ্ হৃ দয় প ৰ শি ——

মা ‖ ॥

( শিহৰ কলিটো ওপৰত দিয়া অন্তৰাৰ নিচিনাকৈয়ে বজাব লাগে। )

# মোৰ জীৱন সোঁৱৰণ।

ওপৰত উল্লুকিয়াইছোঁ, যে পিতৃদেৱতাই গুৱাহাটীতে একষ্ট্ৰা এছিষ্টেণ্ট কামৰূপৰ৷ অৱসৰ লৈ পেন্সন পায়। গুৱাহাটীৰ অনেক ভদ্ৰলোকে, যাইকৈ লক্ষীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াই পিতৃদেৱতাক উজনিলৈ উভটি নগৈ গুৱাহাটীতে ঘৰ-বাৰী কৰি থাকিবলৈ অনুৰোধ কৰে। কিন্তু পিতৃদেৱতাই নিজৰ পুৰণি ঠাই শিৱসাগৰলৈ উভটি যোৱাটোকে থিৰ কৰিলে।

গুৱাহাটীৰ ভদ্ৰলোক সকলৰ ভিতৰত উকীল শ্ৰীমন্ত সেন, যশোমন্তসেন, এই দুজনৰ কথা, আৰু গোবিন্দৰাম চৌধাৰীৰ কথা মোৰ মনত আছে। এওঁলোক আমাৰ ঘৰলৈ সততে আহিছিল, আৰু দেউতাৰ আদৰৰ পাত্ৰ আছিল। গোবিন্দৰাম চৌধাৰী ওখ, ডাঙৰ আৰু দেখিবলৈ বৰ সভা-শুৱনি লোক আছিল। হেজাৰৰ ভিতৰত গোবিন্দ-ৰাম চৌধাৰী চকুত পৰা "চেহেৰাৰ" মানুহ।

কমলানাথ ফুকনৰ কথা প্ৰথমতে অলপ কৈছোঁৱেই। ফুকন ডাঙৰীয়া ৰঙিয়াল, ৰসিক, wittyআৰু কৌশল কৰি লোকক বিদ্ৰূপ কৰিব পৰা লোক আছিল। মোৰ শুনা এতিয়াও মনত আছে;—কোনবা এজনে হেনো ডবা এটা কিনি-বলৈ তেওঁৰ পৰা ধন ধাৰে নিছিল। ডবা কিনাও হল, আৰু দিনো তাৰ ব্যৱহাৰ কিনোতাৰ ঘৰত হবলৈ ধৰিলে; কিন্তু ধাৰে নিয়া ধন অনেক দিনলৈকে সেইজনে ফুকন ডাঙৰীয়াক ওভোটাই দিবৰ নাম নকৰে। ধৰুৱাৰ নিশ্চিন্ত গতি দেখি বাৰেচেৰেক ফুকনে ধাৰ সাধিলে, কিন্তু ফল একো নফলিল। শেহত নিজৰ মনৰ সন্তোষৰ অৰ্থে, তেওঁ এই পদ্যটো ৰচনা কৰি সমাগত বন্ধু সকলৰ আগত সুৰ ধৰি গাবলৈ ধৰিলে; যথাঃ—

" দলৈ (অমুক) –ৰে
ডবা বাদ্য কৰে,
তাৰ ধন আজিলৈকে বাকী।
(অমুকৰ) কথা শুনি
মৰোঁ টকা ভৰি,
ইকি (অমুকৰ) ফাকি ॥"

এই Lampoon অৰ্থাৎ বিদ্ৰূপাত্মক পদ্য কেইশাৰীয়ে ধৰুৱাৰ দ্বাৰাই ধাৰ শুজাব পাৰি-ছিল নে নাই কব নোৱাৰোঁ; কিন্তু ই যে ফুকনৰ মনৰ খেদ অনেক পৰিমাণে কমাইছিল, তাৰ ভুল নাই; কাৰণ তেতিয়া প্ৰায় সকলো ৰসিক ভদ্ৰ লোকৰ মুখে মুখে এই পদ্যকেশাৰী বাগৰি ফুৰি তাৰ উদ্দেশ্য (mission) এক প্ৰকাৰে সিদ্ধি কৰিছিল।

গজপুৰীয়া বৰুৱা ডাঙৰীয়াৰ সম্পৰ্কেও এটি ক্ষুদ্ৰ আমোদজনক কথা মোৰ মনত আছে। তেখেতৰ এটা ঘোঁৰা আছিল; ঘোঁৰাটো বেগী বা চোকা যে নাছিলেই, বৰং সি বটুৱা বদনামৰো হাত সাৰিব পৰা নহয়। ঘোঁৰাটোৰ মন্থৰ গতিত বা "বেগতিত" বৰুৱা ডাঙৰীয়া বিৰক্ত হৈ, এদিন তাক প্ৰকাশ্যে এই বুলি ভৰ্ৎসনা কৰি লজ্জা দিছিল,—"ইস্ নেদেখিছা! জানিবা ইন্দ্ৰৰ উচ্চৈশ্ৰবাঘোঁৰা হে! বোলোঁ তিউৰা বুঢ়াহ খোৰাঁহে খোৰাঁ, খোজ কাঢ়িবৰ ফালে মন হলে নাই!"

দুখন ডাঙৰ গুৱালকুচীয়া হোলোং নাৱেৰে আমি গুৱাহাটীৰপৰা শিৱসাগৰলৈ যাত্ৰা কৰিলোঁ-হঁক। গুৱাহাটীৰপৰা শিৱসাগৰলৈ উজাই আহোঁতে আমাৰ ২২।২৪ দিন লাগিছিল। ব্ৰহ্মপুত্ৰইদি উজাই অহা এই কালছোৱাৰ মোৰ পক্ষে অপাৰ আনন্দৰ কাল। ফাগুনৰ শেহ ছোৱা আৰু চতৰ আগছোৱাত বোধ কৰোঁ এই নৌকা যাত্ৰা সঙ্ঘটিত হৈছিল। ধৌতময় শুভ্ৰ বালিৰে দুকাষে দুটা তিৰ্‌বিৰোৱা পাৰি দিয়া, নিৰ্ম্মল ব্ৰহ্মপুত্ৰখন মোৰ মনত, ফটিকৰ সূতাৰে বোৱা এখন ডাঙৰ চেলেং কাপোৰ যেন লাগিছিল। আৰু তৰিখাৰা সেই বগা চেলেংখনত দুটা কলা টোকাপক্ষৰা বগাই যোৱাৰ নিচিনাকৈ আমাৰ নাও দুখন চৰিৰ ঠেলাত যোৱা যেন লাগিছিল। একো-একোটা বালিক দূৰৰ পৰা একো-একোটা "দানাদাৰ দোবৰা" চেনিৰ পৰ্ব্বত যেন, আৰু একো-একোটা মটীয়া বৰণৰ কাশীৰ চেনিৰ দম যেন দেখিছিলোঁ; আৰু দুপৰীয়া টেঙা খাবৰ মন যোৱা কালছোৱাত একো-



একোটা বালি-লোণৰ পৰ্ব্বত বুলি কল্পনা কৰি-ছিলোঁ। দুপৰীয়া আৰু গধূলি কোনো এটা বালিৰ কাষত নাও ৰাখিলেই, মই সকলোৰে আগেয়েই একেজাপেই নাৱৰপৰা বালিত পৰি আনন্দত ম'ৰাচৰাইৰ পোৱালী লৰি ফুৰাদি ফুৰি-ছিলোঁ। মনত এনে ভাব, যেন চকুৰে-দেখা দূৰলৈকে যত বালি দেখিবলৈ পোৱা গৈছে, এটাকো বাদ নিদি এটাইবোৰৰ ওপৰত জপিয়াই লৰি-ধাপৰি ভটাগুটি বাগৰাদি বাগৰি ফুৰি শেষ কৰিহে এৰিম।

এদিন দুপৰীয়া ভাত ৰান্ধিবৰ নিমিত্তে এটা বালিত নাও ৰখা হল। দেখিলোঁ, বহুত গঙ্গাচিলনী চাৰিওফালে উৰি ফুৰিছে। কোনোবাই মোক কৈ দিলে যে সেই বালিত নিশ্চয় গঙ্গাচিলনীৰ কণী পোৱা যাব। মই মোৰ ককাইদেও শ্ৰীনাথেৰে সৈতে বিচাৰি বিচাৰি সঁচাকৈয়ে দুটা গঙ্গাচিলনীৰ কণী পাই আনি বুকু ফুলাই সকলোকে দেখুৱালোঁ। শুনিলোঁ, গঙ্গাচিলনী যদিও নাখায়, কিন্তু তাৰ কণী হলে খায়। এই সন্তোষজনক বিধান শ্ৰৱণ কৰি কণী দুটা ভজোৱাই দুই ভায়ে পৰম তৃপ্তিৰে সৈতে ভোজন কৰিলোঁ। এদিন আন এটা বালিত বিচাৰি বিচাৰি দুটা ঘৰিয়ালৰ কণী পাইছিলোঁ। প্ৰকাণ্ড কণী। কণী দুটা ফুটাই তাৰ ভিতৰৰ কুহুমবোৰ দলিয়াই পেলাই, গোটা খোলা দুটা বহুত দিনলৈকে নাৱৰ কুক্ষিৰ বাৰত আৰি থৈ দিছিলোঁ। ৰংপুৰ পাই, নাৱৰপৰা নামিবৰ সময়ত কিন্তু সেই দুটা মোৰ দৃষ্টিৰ বহিৰ্ভূত হল। বোধকৰোঁ "ডুপৰ্ভাইছৰ" ৰবিনাথ ককাই দয়াপৰবশ হৈ অন্তঃসাৰশূন্য অণ্ড-যুগলক মাক ঘৰিয়ালৰ বুকুলৈ পানীয়েদি "চালান" দিলে।

এদিন আবেলি চাৰিমান বজাত এটা ঘুলিত আমাৰ নাও ৰখা হল। সিমান সোনকালে সেই দিনা ৰখাৰ কাৰণ, — কেকেঁৰীয়া ৰতাহ, সম্ভৱতঃ ৰতাহৰ কোব ৰাতিলৈ বাঢ়ি সেই ৰতাহ ধুমুহাত পৰিণত হবগৈ পাৰে, এই আশঙ্কা কৰি। ঘুলিটো ভাল; তাত নাও বান্ধি থাকিলে কোনো ভয় নাই, আৰু শীঘ্ৰে তেনে ঘুলি পোৱা নাযাবও পাৰে। নাও ৰখাৰ পিছত দেখা গল, দূৰত বালিৰ ওপৰত দুটা কি তিনটা ডাঙৰ কাছ বগাই গৈছে। নাৱৰীয়াইঁতে কলে, যে কাছকেইটা কালঢাপ কাছ। সিহঁতে এনে ৰত-ৰত বালিত কণী পাৰিবলৈ উঠে। আমাৰ লগুৱা ধনীয়ে এই খবৰ শুনিয়েই কাছৰ ফালে চোচা ললে। আমি লৰা কেইটাইও ধনীৰ পিছে পিছে লৰ দিলোঁ। মানুহ অহা গম পাই, কাছ-কেইটাই অভীপ্সিত কাৰ্য্য স্থগিত ৰাখি, উভটি নৈৰ ফালে প্ৰাণপণে লৰ দিলে। ধনীৰ বেগ অনুপাতত কাছৰ বেগতকৈ বেছি হোৱাত, সি কাছ এটাক আগছি ধৰি ততালিকে লুটিয়াই পেলাই তাৰ বুকুত ডাঙৰ গোৰ এটা মাৰি দিলে, যাক চলিত ভাষাত কাছ-গোৰ বোলে। কাছটো একে গোৰতে অৱশ হৈ পৰিল। বাকীকেইটাই ইতিমধ্যতে পানীত পৰি প্ৰাণ ৰক্ষা কৰিলে। কাছটো কাটিলত তাৰ পেটত দুকুৰিমান কণী ওলাল।

এদিন নাওখন পাৰৰ নল-খাগৰিৰ কাষে কাষে যাওঁতে, নাৱৰীয়াহঁতে চৰিৰ ফেৰেকামুখেৰে হেচা মাৰি ধৰি এটা দুৰাকাছ ধৰিছিল। কাছটোৰ পিঠিত এটা ভোটা কাঁইট বা খড়্গৰ দৰে আছিল। সেই কাছটোক হেনো নল-দুৰা বোলে; আৰু সি হেনো অখাদ্য। নাৱৰীয়াহঁতে কাছটো কি কৰিলে কব নোৱাৰোঁ; সম্ভৱতঃ তাক খাদ্যৰ শ্ৰেণীভুক্ত কৰি ৰান্ধি-বাঢ়ি পেটত ভৰাই থলে। আমাৰ ধনীয়ে কিন্তু কি কৰিছিল কব নোৱাৰোঁ; কাৰণ কাছটো অখাদ্য বুলি শুনি সি দেউতাই নুশুনাকৈ আমাৰ আগত প্ৰতিবাদ কৰি তলত দিয়া শাস্ত্ৰৰ বচন মাতি তাৰ অদ্ভুত ব্যাখ্যা কৰি কৈছিল,—"কীৰ্ত্তন ঘোষাত এই দুৰাকাছ খাবলৈ কৈছে; যেনে, 'দুৰাচাৰ মন মোৰ ৰাম হৰি বোল'।—অৰ্থাৎ হেৰ দুৰা! তই মোৰ মনক মোৰ বোল! অৰ্থাৎ মোৰ মনে তোক খাবলৈ কৈছে, তই মই-খাব-পোৱা হ!"

আমাৰ নাৱৰীয়া এটাই এদিন বালিত ফুৰি উভটি আহি তাৰ চুৰিয়াৰ কোচ উগুৰিয়াই আমাৰ আগত একোচ কাছ-কণী ঢাকি দিলে; তাৰ কিছুমান সম্পূৰ্ণ ঘূৰণীয়া, কিছুমান দীঘলীয়া। ঘূৰণীয়াবোৰ ৰৰকাছৰ কণী, আৰু দীঘলীয়াবোৰ দুৰাকাছৰ কণী। পাঁচ-ছ দিনলৈকে সেই কণী

সিজাই নাইবা ভাতত দি আমি সকলোৱে খাই তৃপ্তি লভিছিলোঁ।

এদিন ৰাতি খাই-বৈ আমি নাৱত শুই আছোঁহঁক ; এনেতে নাৱৰীয়াহঁতে দেউতাক কলে, যে বৰ ধুমুহা ৰতাহ আহিবৰ সম্ভৱ, কাৰণ কলা মেঘ এচটা পশ্চিম ফালে আকাশত ওলাইছে। লৰালৰিকৈ দেউতাই সিহঁতৰ হতুৱাই নাও দুখনৰ গোজ কাটি মজবুতকৈ পোতাই বন্ধালে, আৰু আন আন যি সতৰ্কতা অৱলম্বন কৰিব লাগিছিল, কৰালে। পোন্ধৰ মিনিট মানৰ পিছতে গোটেইখন আকাশ কলা মেঘে চাটি পেলালে ; হৰ হৰ গিৰ গিৰ শবদ হল; বিজুলী মাৰিবলৈ ধৰিলে, আৰু লগে লগে ভয়ানক ধুমুহা আৰম্ভ হল ; আৰু আমাৰ নাওদুখনক ধুমুহাই পানীত পেলাই বোন্দা থেকেচা দিবলৈ ধৰিলে। যাত্ৰা কৰি গুৱাহাটীৰ ঘাটত নাৱত উঠাৰ দিনাৰ দৰে সেই দিনাও দেউতাই নাৱৰীয়াহঁত আৰু চাকৰ-নাকৰবোৰেৰে সৈতে ৰাতি পানীত পৰি কান্ধ পাতি নাও দুখন কোনোমতে ৰক্ষা কৰিছিল। পিছ দিনা উজাই যাওঁতে এঠাইত দেখিলোঁ, আমাৰ নাৱৰে নিচিনা নাও এখন উবুৰি হৈ এটা ডাঙৰ জাজীত লাগি আছে। পিছত শুনিলোঁ বোলে সেই নাৱৰ; সকলো কেইটী আৰোহী, গল ৰাতিৰ সেই ধুমুহাত নাও বুৰি নৈৰ গৰ্ভত চিৰকাললৈ বিলুপ্ত হল। কৰাল কালে কোন দুৰ্ভগীয়াক সপৰিবাৰে এই দৰে পানীৰ মৈদামত দিলে কোনে কব!

যাওঁতে যাওঁতে এদিন পুৱা নল খাগৰি আৰু কহঁৱা থকা জেকা বালি এটাৰ ওপৰত এজাক বনৰীয়া মহ দেখিলোঁ। সশঙ্কিত হৈ নাৱৰীয়াহঁতে নৈৰ সিপাৰলৈ পাৰি দি যাবৰ মনোগত কৰোঁতেই, মহজাকেই আত্মশক্তি বিস্মৃত হৈ, ভয় খাই টেঁটাই ঢপলিয়াই লৰ মাৰি হাবিত সোমাল। ডাঙৰবোৰৰ লগে লগে সমানে লৰিব নোৱৰা চাৰি-পাঁচোটা সুন্দৰ মহ-পোৱালি পিছ পৰি লৰি যোৱা দেখি এনে ভাল লাগিছিল ; সিহঁতক পাৰিলে ধৰি মৰম কৰি পুহিবৰ মোৰ বৰ মন গৈছিল।

এদিন দেখা গল, এজোপা ডাঙৰ গছত বহি এটা কুকুৰা-চৰাইয়ে এটা ডাঙৰ বৌমাছ খাবৰ দিহা কৰিছে। আমাৰ নাৱৰ আগোৱাল এটাই কুকুৰাটোৰ ফালে কাঠখৰি এডাল ফমুঠি মাৰি পঠিয়ালে। ভোজত বহা কুকুৰাটোৱে ভোজনৰ আগেয়ে ভয় খাই উৰি লৰ মাৰিলে, আৰু মাছটো তাৰ নখৰ পৰা খহি ধুপুৰ্ কৰে গছৰ তলত পৰিল। ফমুঠি মাৰোতা আগোৱালটোৱে একে জাপেই নাৱৰ পৰা নামি বামত পৰি, লৰি গৈ মাছটো লৈ আহি আমাৰ আগত বুকু ফিন্দাই পেলাই দিলেহি। বৰ ডাঙৰ বৌ। কাটিলত পেটৰ ভিতৰত তিনি সেৰমান কণী পোৱা গল। ভোজত বহি বিফল-মনোৰথ হৈ গুচি যোৱা কুকুৰাটোৰ বাহিৰে, সকলোৱে সেই মাছ সেই দিনা ভোজন কৰি তৃপ্তি লভিলে।

এদিন দেখিলোঁ, পাৰৰ বালি এটাত থকা জুপুৰি এটাৰ পৰা জালোৱা বুঢ়া বুঢ়ী দুটা আমাৰ নাৱৰ ফালে বেগাই আহিছে। দেখিলোঁ, বুঢ়াৰ হাতত কিবা এটা ওলমি আহিছে। ‘‘দেউতা এখন্তক নাও ৰাখক’’ বুলি কোৱা বুঢ়াৰ মাত শুনি আমাৰ নাও ৰখা হল। দেউতাৰ আগত বৰ-কাছৰ পোৱালী এটা থৈ বুঢ়া বুঢ়ীয়ে সেৱা কৰি কলে—“দেউতাঈশ্বৰে পেঞ্চন লৈ উজাই আহিছে বুলি আমি শুনিছোঁ ; সেইবাবে দেউতাঈশ্বৰক সেৱা কৰিবলৈ আহিলোঁ।” দেউতাই মিঠা কথা কৈ বুঢ়া বুঢ়ীক আপ্যায়িত কৰাৰ পিছত, বুঢ়াই তাৰ ঘুংৰোগৰ বৃত্তান্ত কৈ দেউতাৰ পৰা দৰৱ লৈ সস্ত্ৰীকে সেৱা কৰি প্ৰস্থান কৰিলে। নিজান বালিৰ ওপৰত বুঢ়া বুঢ়ী হালি সেইদৰে অকলৈ থকা দেখি মোৰ লৰা-মনলৈকো এটা উদাস ভাব আহিছিল। ভাবিছিলোঁ, মোক মোৰ অভিভাৱকসকলে যদি এৰি দিয়ে, ময়ো অকলৈ এইদৰে এনে এটা বালিৰ ওপৰত পজা এটা সাজি লৈ যাৱজ্জীৱন থাকিম।

নল খাগৰি থকা বালিৰ গৰাৰ পানীৰ জুৰলিত কাতি হৈ পৰি থকা নল খাগৰিৰ ওপৰত সক সৰু কাছপোৱালীবোৰ উঠি থাকে ; আৰু আমাৰ নাও কাষ পালেগৈয়ে টুপুংকৰে



পানীত পৰি বুৰ মাৰে। এই দৃশ্যটো মোৰ বৰ ভাল লাগিছিল। ভাবিছিলোঁ, ময়ো যদি কাছ-পোৱালি হলোঁহেঁতেন এই দৰে টুপুংকৰে বুৰ মাৰি কৰবালৈ গুচি গলোঁহেঁতেন। এনেকুৱা কাছপোৱালি দেখিলে মই লেখি যাওঁ। এদিন এটাৰ পিছত এটাকৈ লেখোঁতে একুৰি তিনটা হৈছিল।

ব্ৰহ্মপুত্ৰৰ দাঁতিত একো-একো ঠাইত মাহুৰি বন হয়। বাকলি গুচাই মাহুৰিৰ সাহটো আৰু কেওঁটো খাবলৈ ভাল লাগে। দেউতাই কিন্তু আমাক মাহুৰি খাবলৈ নিদি কৈছিল “এই মাহুৰিৰে কোবাই মৰিয়ামৰি কৰি যদুবংশ ধ্বংস হৈছিল ; এতেকে মাহুৰি খাব নেপায়।” এনে innocent মাহুৰিৰে সৈতে যে এনে ভীষণ স্মৃতি বিজড়িত হৈ আছে, জানিব পাৰি সেই দিনাৰ পৰা মাহুৰি-ভোজনৰ পৰা প্ৰতিনিবৃত্ত হলোঁ।

একো-একো ঠাইত বালিৰ গৰাত খহনীয়াই ধৰা বাবে, সেই পিনে উজাই যোৱাটো বিপদজনক। সেইদেখি সেই পাৰৰ পৰা সিপাৰলৈ পাৰি দিব লগীয়া হয়। চকুৰে ইপাৰ-সিপাৰ মণিব নোৱৰা ব্ৰহ্মপুত্ৰত এই দৰে আমাৰ অনেক বাৰ পাৰি দিব লগীয়া হৈছিল। পাৰি দিওঁতে নাৱৰ আগোৱাল কেইটাই নাৱৰ টিং আৰু গলত বহি প্ৰাণপণে দাৰ মাৰি, আৰু গুৰিয়ালে গুৰিৰ পৰা গুৰি-বঠাৰে চাৰ দি দি অতি কষ্টেৰে এই দুখৰ কাম সমাপন কৰিছিল। এনেকৈ পাৰি দিওঁতে আমি অনেকবাৰ পিতৃদেৱতাক গুৰিয়ালৰ হাতৰ বঠা কাঢ়ি লৈ নিজে বঠা ধৰা দেখিছিলোঁ। নাও পাৰি দিওঁতে পিতৃদেৱতাই ‘‘ৰাম পাৰ কৰা, এ, ৰঘুনাথ সংসাৰ-সাগৰে!” এই ঘোষা লগাই পদ দিছিল, আৰু আমি সকলোৱে উচ্চৈস্বৰে গাইছিলোহঁক। বাস্তৱিকতে এই নামৰ তালৰ লগত পানীত পৰা দাৰৰ চেও মিলি নাৱৰীয়াহঁতৰ মনত এক অপূৰ্ব্ব উৎসাহৰ সোঁত বোৱাইছিল ; আৰু ফলত নাও হাকোলাহাফোলে আগবাঢ়ি গৈছিল। এদিন এইদৰে ব্ৰহ্মপুত্ৰত পাৰি দি যাওঁতে এবাৰ নৈৰ মাজতে আমাৰ নাওখন ঘপহ্ কৰে এটা চটত লাগিল। ততালিকে নাৱৰীয়াবোৰেৰে সৈতে পিতৃদেৱতাই চটৰ তৰাং পানীত নামি পৰি নাওখন বলেৰে টানি টানি কোনোমতেহে সেই চোৰ বালিৰ চটৰ বিপদৰ [পৰা তাক ৰক্ষা কৰিলে।

এদিন পিতৃদেৱতাই আমাক দূৰৰ পৰা আঙুলিয়াই দেখুৱাই কলে “সৌৱা মোৰ আতাৰ থান ৺কমলাবাৰী সত্ৰৰ গছ দেখা গৈছে!” পিতৃদেৱতাৰ আদেশ আৰু আৰ্হি অনুসৰণ কৰি আমি নাৱৰ চৰথত আঠুকাঢ়ি পৰি থানৰ উদ্দেশে ভক্তিপূৰ্ণ সেৱা কৰিলোঁহঁক। পিতৃদেৱতাই সেৱা কৰি উঠি, তলত দিয়া ঘোষা কেইটা সুৰ ধৰি গাই তাৰ মানে অতি ভক্তিভাৱে ব্যাখ্যা কৰি আমাক শুনাইছিল ;—

“যি দিশত মহা ভক্তসবে শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্ত্তন যিতো কৰয়।
সি দিশক নমস্কাৰ কৰি দুৰ্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিতো হোৱয়॥
ৰমানন্দ পদ যুগলৰ মকৰন্দ মধুব্ৰত প্ৰায়
ভকত সকলে যি দিশত প্ৰকাশয়।
সি দিশ জানিবা গঙ্গাদেবী অনেক প্ৰবাহৰূপে আতি
পৰম নিৰ্ম্মল স্বৰূপে শোভা কৰয়॥
শ্ৰীমধুদ্বিষ ঈশ্বৰৰ কীৰ্ত্তন মঙ্গল নিৰন্তৰ
যিতো ভূমিভাগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধূলি যিতো শিৰেধৰে, নিশ্চয়ে জানিবা সিতো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত॥”

মোৰ ভালকৈ মনত আছে, যি দিনা আমি দীঘোমুখত সোমাওঁ-সোমাওঁ হৈছোঁ, সেইদিনা দুপৰীয়া, ওচৰৰ মিৰিগাওঁ এখনত বৰকৈ লৰা এটাই কন্দা আমি শুনিলোঁ। দেউতাই তেতিয়াই নাও ৰখাবলৈ দি, নাৱৰ পৰা নাৱৰীয়া এটাক কন্দনা লৰাটোৰ মাক বাপেকক মাতি আনিবলৈ পঠিয়াই দিলে। সিহঁত আহিলত, লৰাটোক সিহঁতে কিয় সিমানকৈ কন্দুৱাইছিল, দেউতাই সুধি, আৰু নকন্দুৱাবলৈ ভালকৈ কৈ সিহঁতক বিদায় দিলে। সিহঁতে দেউতাৰ কথাত সন্তোষ লভি, আমাৰ নাওখন অলপ ৰাখিবলৈ কৈ, লৰি গৈ চাইটা মাহুহে সাঙীকৰি অনা

এটা ডাঙৰ বৰ-কাছ দেউতাক উপঢৌকন দি সেৱা কৰিলে। লগতে গোটেইখন মিৰিগাৱঁৰ ডেকা, বুঢ়া আৰু তিৰুতা আহি আমাৰ নাৱৰ কাষত জুম বান্ধিলে। দেউতাই কাছটো তাতে কটাই তাৰ এটা কি দুটা পিৰা ৰাখি বাকীবোৰ সিহঁতকে বিলাই দিয়ালে। সিহঁতে বং মনেৰে মঙহ লৈ দেউতাক সেৱা কৰি গুচি গল। বৰ-আপি এটাৰ সমান ইমানটো ডাঙৰ বৰ-কাছ আগেয়ে মই কেতিয়াও দেখা নাছিলোঁ।

তেতিয়া মোৰ বয়স কিমান কব নোৱাৰোঁ। মই চুৰিয়া যদিও পিন্ধিছিলোঁ, কিন্তু এৰা-ধৰাকৈহে। মই শুনিলোঁ, আৰু দুই-এদিনতে আমি ৰংপুৰ পামগৈ। মই ভাবিলোঁ আমাৰ ৰংপুৰৰ ঘৰৰ ন মানুহবোৰৰ আগত মোৰ কঁকালেৰে সৈতে চুৰিয়াৰ এনে-এৰা-ধৰা সমন্ধটো বৰ লাজৰ হব; ইয়াকে ভাবি, দিনে-ৰাতিয়ে সমন্ধ-নিছিগাকৈ পিন্ধি থাকিবলৈ দুখন চুৰিয়া মোক দিবলৈ মাতৃদেৱীক কলোঁ। মাতৃদেৱীয়ে মোৰ প্ৰাৰ্থনা যুক্তিসঙ্গত বিবেচনা কৰি সেইমতে মোক চুৰিয়া দুখন দিলে, আৰু মই ভব্য-গব্য সভ্য লৰা হৈ আমাৰ ৰংপুৰৰ ঘৰত প্ৰবেশ কৰিলোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# মই ইয়াৰে সাধক।

মই ইয়াৰে সাধক
প্ৰভু! ইয়াৰে সাধক।
সবল শিশুৰ প্ৰাণ
প্ৰভু মোক কৰা দান
গুচাই পাপক
কপটতা কৰা দূৰ,
হিংসা দ্বেষ কৰা চুৰ,
অন্তৰ পবিত্ৰ কৰা, সৰলতা
শিকোৱা বিশ্বক!
মই ইয়াৰে সাধক
প্ৰভু! মই ইয়াৰে সাধক।
নিস্বাৰ্থ প্ৰেমিক প্ৰাণ
দিয়াঁ প্ৰভু দিয়াঁ দান—
মিনতি তোমাক।
হৃদয় বিমান মোৰ
স্বাৰ্থতে অন্ধলা মোৰ
আঁতৰাই, পাৰোঁ যেন সাৱটিব
সুন্দৰ বিশ্বক।
মই ইয়াৰে সাধক
প্ৰভু ইয়াৰে সাধক।

ধৰি কৰ্ম্মৰ কঠোৰ ব্ৰত
উপেক্ষি বিঘিনি শত
(যেন) বিচাৰো লক্ষ্যক।
ত্যাগৰ অগ্নিত পুৰি
সাধনাৰ বস্তি ধৰি
সম্বোধিব পাৰোঁ যেন—
কৰ্ম্মী জগতক।
মই ইয়াৰে সাধক
প্ৰভু! ইয়াৰে সাধক।
সত্যত আশ্ৰয় থাপি
গোটেই জীৱন ব্যাপী
বিশ্বৰ সেৱক।
দয়া, ক্ষমা, ভক্তি লৈ
বিশ্বাসী পবিত্ৰ হৈ
হওঁ যেন প্ৰভু! মই
নিষ্কামী সাধক।
মই ইয়াৰে সাধক
প্ৰভু! ইয়াৰে সাধক।



আৰু এটি মাথো মোক
গুচিব পিয়াহ ভোক—
তোমাৰে যে দান।
মহা মহা পুৰুষৰ
ই যে শ্ৰেষ্ঠ জীৱনৰ
দিয়াঁ সেই মনুষ্যত্ব
শ্ৰেষ্ঠ উপাদান।
হৃদয়ৰ পদ্ম ধৰোঁ,
অশেষ ভকতি কৰোঁ,
বিশ্বৰ স্ৰষ্টক।
শোক, তাপ, পাপ এৰি
হিংসা দ্বেষ পৰিহৰি,
সকলো মানৱে আজি,
একেটি সুৰতে বাজি
মৰমৰ পৃথিৱীতে—
স্বৰগ থাপক।
মই ইয়াৰে সাধক
প্ৰভু! ইয়াৰে সাধক।

শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা।

---

# বুদ্ধদেৱৰ জন্ম আৰু মৃত্যু।

জন্ম। কপিলাবাস্তুৰ ৰজা শুদ্ধোদনৰ মহিষী মায়াদেৱী যেতিয়া পূৰ্ণগৰ্ভা, এনে সময়ত তেওঁৰ বাপেকৰ ঘৰলৈ যাবৰ মন গল। ৰজা শুদ্ধোদনে মহিষীৰ মনোভাৱ জানিব পাৰি তেওঁক বাপেকৰ ঘৰলৈ পঠিয়াবৰ বন্দবস্ত কৰিলে। মায়াদেৱীয়ে তেওঁৰ সহোদৰা মহাপ্ৰজাপতী আৰু আন আন লিগিৰীৰে সৈতে বাপেকৰ ঘৰলৈ যাওঁতে বাটতে ৰজাৰ লুম্বিনী নামৰ উপবনৰ অপূৰ্ব্ব সৌন্দৰ্য্য দেখি মুগ্ধ হৈ পৰিল। তেওঁ ৰথৰপৰা নামি লুম্বিনী উদ্যানত উদ্যানৰ শোভা চাই ফুৰিছে, এনেতে তেওঁৰ প্ৰসব-বেদনা আৰম্ভ হল। মায়াদেৱী প্ৰসব-বেদনাত কাতৰ হৈ তেওঁৰ সোঁহাত ধনেৰে ওচৰৰে এজোপা শাল গছৰ ডাল এটাত ধৰিলে, আৰু বাওঁ হাতেৰে তেওঁৰ ভনীয়েক মহাপ্ৰজাপতীৰ ডিঙিত ধৰিলে; এনেতে বুদ্ধদেৱৰ জন্ম হল।

মৃত্যু। বুদ্ধদেৱে তেওঁৰ ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে কুশীনগৰমুৱা হৈ যাওঁতে, বাটতে পাওৱা নামেৰে গাওঁ এখনত চুন্দ নামেৰে কমাৰ এটাই তেওঁক খাবলৈ নিমন্ত্ৰণ কৰে। চুন্দই ভাত আৰু গাহৰিৰ মঙহৰ আঞ্জা আনি বুদ্ধৰ আগত দিলে। বুদ্ধই গাহৰিৰ মঙহ নিজে খাই অৱশিষ্ট ভোজ্যদ্ৰব্য নিজৰ শিষ্যসকলৰ মাজত বাটি দিলে। গাহৰিৰ মঙহ খাই তেওঁৰ পেট বৰকৈ বিষাবলৈ ধৰিলে। শেহত তেওঁৰ টান গ্ৰহণী নৰিয়া হল। তেওঁ আৰু খোজ কাঢ়িব নোৱাৰি বাটৰ কাষৰ উদ্যান এখনত শিষ্যসকলেৰে সৈতে সোমাল। দুজোপা শালগছৰ তলত বিছনা কৰি তেওঁক শুবলৈ দিয়া হল, আৰু সেই শয্যাই তেওঁৰ অন্তিম শয্যা হল। এদিন তেওঁ শালগছৰ তলত উপজিছিল, আৰু আজি আশী বছৰ বয়সত শালগছৰ তলতে তেওঁৰ মৃত্যু হল।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# মহম্মদ আলীৰ দোষ।

মহম্মদ আলী মোৰ বাল্য বন্ধু। তেওঁৰে মোৰে ভিতৰত যেনে প্ৰণয় তাতকৈ বেছি প্ৰণয় আন কোনো দুজন বন্ধুৰ ভিতৰত কেতিয়াবা আছিল বা থাকিব পাৰে বুলি, মই বিশ্বাস কৰিব নোৱাৰোঁ। ব্ৰহ্মাই পাঁচখন মুখেৰেও বিষ্ণুৰ গুণাৱলী বৰ্ণাই শেষ কৰিব পৰা নাছিল, মই এখন মুখেৰে মোৰ প্ৰিয় বন্ধু মহম্মদ আলীৰ গুণাৱলী বৰ্ণাই কি শেষ কৰিব পাৰিম? ভালেমান গুণী, জ্ঞানী আৰু খ্যাতিমান মানুহৰ সংসৰ্গ লাভ কৰিবৰ সৌভাগ্য মোৰ ঘটিছে কিন্তু মহম্মদ আলীৰ নিচিনা গভীৰ জ্ঞান, তীক্ষ্ণবুদ্ধি আৰু স্বাধীন চিন্তা মই কাৰো গাতে দেখা নাই! মোৰ বিশ্বাস এটা দোষ নথকা হলে, মহম্মদ আলী আজি জগতৰ সৰ্ব্বশ্ৰেষ্ঠ সাহিত্যিক বুলি সম্মানিত হলহেঁতেন; আৰু সাগৰলৈ নৈ বাগৰি যোৱাৰ দৰে নোবেল প্ৰাইজটোও আপোনাআপুনি আহি মহম্মদ আলীৰ হাতত পৰিলহিহেঁতেন। কিন্তু কলে কি হব? অকল সেই দোষটোৰ পৰাই মহম্মদ আলী আজি সাহিত্য-ক্ষেত্ৰত সম্পূৰ্ণ অপৰিচিত; মই আৰু আন দুই চাৰিজন বন্ধুৱে মাথোন মহম্মদ আলীৰ সংসৰ্গ লাভৰ সৌভাগ্য পাই তেওঁৰ গুণাৱলীৰ যৎকিঞ্চিৎ উপভোগ কৰিবৰ সুবিধা পাই মুগ্ধ হওঁ!! জগতৰ দুৰদৃষ্ট!

বাস্তবিকতে, মহম্মদ আলীৰ দোষটো গুচাবৰ নিমিত্তে আমাৰ চকুত টোপনি নাই। মহম্মদ আলীয়ে কিন্তু আমাৰ কথা শুনি মাথোন হাঁহে! নানা মানুহৰ নানা দোষ আছে; সেইবোৰ গুচাবলৈ তো আমি চেষ্টা নকৰোঁ। মহম্মদ আলীৰ দোষটো গুচাবলৈ নো আমাৰ ইমান হেঁপাহ কিয়? আমি আমাৰ মনটোক বিশ্লেষণ কৰি চাই দেখোঁ—এই কাৰ্য্যত আমাৰ স্বাৰ্থ আছে! এই দোষটোৱে মহম্মদ আলীৰ গুণবোৰক আবৰি ধৰি আমাক সেইবোৰ উপভোগ কৰাৰপৰা বঞ্চিত কৰিছে। গেৰেকণিত মইলা থাকেই কিন্তু শোৱাপাটিত মইলা থাকিলে মানুহে সেইটো সহ্য কৰিব নোৱাৰে। হাবিৰ জঙ্গলী গছত বগুমলা গজক; কিন্তু আমাৰ আদৰৰ ফুলগছজুপিক বগুমলাই আগাৰি ধৰিলে আমি সেইটো সহ্য কৰিব নোৱাৰোঁ।

মহম্মদ আলীৰ দোষটো কি, কব লাগে নে? সেইটো—"এলাহ"। মহম্মদ আলীৰ মহৎ ভাব আৰু চিন্তাবোৰ অকল লেখাৰ এলাহতে জগতৰ ভোগত নলগাকৈ গৈছে। আৰু এই এলাহেই মহম্মদ আলীক জগতৰ সৰ্ব্বশ্ৰেষ্ঠ সাহিত্যিকৰ আসনৰপৰা বঞ্চিত কৰি থৈছে!

আমি মহম্মদ আলীক এলাহ এৰিবলৈ কত অনুৰোধ কৰিছোঁ। কিন্তু তেওঁ মাথোন হাঁহে আৰু কয়—"মই যিহত সুখ পাওঁ, সেইটো তোমালোকে মোক কৰিব নিদিয়া। কিন্তু তোমালোকে যিহত সুখ পোৱাঁ, সেইটো হলে মই কৰিব লাগে।"

প্ৰশ্ন——তুমি নিজে হলে জগতৰ সাহিত্য উপভোগ কৰিবা; কিন্তু তোমাৰ উপাৰ্জ্জিত জ্ঞানৰ অংশ জগতক বিলাই যাবলৈ তোমাৰ আহৰি নাই।

উত্তৰ——মৌবোৰে ফুলে ফুলে ভ্ৰমি বহু পৰিশ্ৰম কৰি মৌজোল গোটায়। মানুহে মৌ পাৰি আনি সেই মৌজোল উপভোগ কৰে। মই নিজে মৌ গোটাবলৈ ভাল নাপাওঁ। লোকে গোটাই থৈ যোৱা মৌ উপভোগ কৰিবলৈহে মই ভাল পাওঁ। কি কৰিবা! মানুহৰ ৰুচি!

প্ৰঃ—তুমি স্বাৰ্থপৰ।

উঃ—যি বোলা। গোটেইখন বিশ্বই এক। ইয়াত আকৌ আপোন পৰ, স্বাৰ্থ পৰাৰ্থ ক'ত আছে?

প্ৰঃ—তুমি তেনে লোকৰ পৰিশ্ৰমৰ ফল উপভোগ কৰাঁ কেলেই?

উঃ——পাইছোঁ দেখি কৰিছোঁ, নোপোৱা হেঁতেন নকৰিলোঁহেঁতেন। পাইছো দেখি কালিদাস ভৱভূতি, মিল্টন, শ্বেক্সপিয়ৰ উপভোগ কৰিছো। নোপোৱাহেঁতেন কালিদাস মিল্টনে যি প্ৰকৃতিৰ পৰা তেওঁবিলাকৰ ভাববোৰ সংগ্ৰহ কৰিছিল, আমিও সেই প্ৰকৃতিক নিজৰ সাধ্য-মতে উপভোগ কৰিলোঁহেঁতেন।

প্ৰঃ—লোকলৈ আৰ্জ্জি থৈ যোৱাত দোষ কি?



উঃ—দোষ একো নাই। যাৰ ক্ষমতা, আহৰি আৰু ৰুচি আছে, তেওঁ আৰ্জ্জক।

প্ৰঃ—প্ৰকৃতিৰ সদায় পৰিবৰ্ত্তন ঘটি আছে। সেখ সাদিয়ে যি প্ৰকৃতিৰ পৰা তেওঁৰ ভাববোৰ পাইছিল ঠিক সেই প্ৰকৃতি উপভোগ কৰিবৰ সুবিধা তোমাৰ নাই। কিন্তু সেখ সাদি পঢ়ি তুমি তেওঁৰ সময়ৰ প্ৰকৃতি উপভোগ কৰিবৰ সুবিধা পাইছা। অথচ তোমাৰ সময়ৰ প্ৰকৃতি ভবিষ্যদ্বংশক উপভোগ কৰিবৰ সুবিধা দিবলৈ তোমাৰ এফেৰিকে চেষ্টা নাই।

উঃ—প্ৰকৃতিয়ে সকলো সময়তে সকলো অৱস্থাতে উপভোগ কৰিবৰ উপাদান যথেষ্ট যোগাব পাৰে। উপভোগ কৰিব পৰাটোহে কথা। মিশৰৰ সভ্যতা আজিকালি লুপ্ত। সেই বুলি আজিকালিৰ মানুহে আন এবিধ সভ্যতা উপভোগ নকৰাকৈ আছে জানো? বৰ্ত্তমান সময়ত তুমিও জীৱন উপভোগ কৰিছা। মইয়ো জীৱনউপভোগ কৰিছো। তুমি হিন্দু সমাজত ওপজা বাবে তোমাৰ নাম হৰিচৰণ হৈছে; মই মুছলমান সমাজত ওপজা বাবে মোৰ নাম মহম্মদ আলী হৈছে। অন্যথা তোমাৰে মোৰে প্ৰভেদ কি?

প্ৰঃ—বাৰু, তুমি যদি কাগজ কলম ছুবলৈ বেয়া পোৱা, তেন্তে বক্তৃতাকে দিয়াঁ।, আমি মিটিঙৰ বন্দবস্ত কৰোঁ।

উঃ—তোমালোকে যেতিয়া মিটিং পাতিবা, সেই সময়ত হয়তো মোৰ বক্তৃতা দিবৰ ইচ্ছা নহব পাৰে, কিম্বা সেই সময়ত হয়তো মোৰ চীকাৰ কৰিবলৈ যাবৰ ইচ্ছা হব পাৰে। আকৌ মোৰ যেতিয়া বক্তৃতা দিবৰ ইচ্ছা আৰু আহৰি হব, সেই সময়ত হয়তো তোমালোকে মিটিং পাতিব নোৱাৰিবা। এইবোৰ অসুবিধাক নিজ ইচ্ছাৰে কৰি লবৰ আৱশ্যক কি? মোৰ নিচিনা সামান্য প্ৰাণী এটা নথকা হলে জানো আজি সূৰ্য্যোদয় সূৰ্য্যাস্ত নঘটিলহেঁতেন।

প্ৰঃ—তেন্তে সেখ সাদি, কালিদাস, মিল্টনে ইমান পৰিশ্ৰম কৰি কিতাপ লেখি থৈ গৈছে কিয়?

উঃ—তেওঁবিলাকৰ ইচ্ছা। কিতাপ লেখি তেওঁবিলাকে সুখ পাইছিল হবলা! "যথা নিযুক্তোহস্মি তথা কৰোমি।" ঈশ্বৰে কিতাপ লেখিবৰ আগ্ৰহ জন্মাই দিলে ময়ো তাকে কৰিম। বৰ্ত্তমানত মই যি কৰি সুখ পাইছোঁ তাকে কৰিছোঁ।

হায়! মহম্মদ আলীৰ যদি এলাহ গুচাব পৰা গ'লহেঁতেন তেন্তে পৃথিৱীয়ে এজন অনুপম সাহিত্যিক পালেহেঁতেন। কিন্তু সকলো ঈশ্বৰৰ ইচ্ছা।

২১।৩।২৩। শ্ৰীজ্ঞানানন্দ জগতী।

---

# ফাঁছী।

এই নিষ্ঠুৰ প্ৰথাৰ বিৰুদ্ধে ইংলণ্ডত আজিকালি খুব আন্দোলন হৈছে। দুখৰ আৰু আশ্চৰ্য্যৰ বিষয় আজিও ইংৰাজ ৰজাৰ ৰাজ্যখনীয়া দণ্ডত ফাঁছী-প্ৰথাৰ ফাঁচী হোৱা নাই।

১৯২২ খৃষ্টাব্দত কুইন্‌ছ্‌লেণ্ডত প্ৰাণদণ্ড ৰদৰ আইন "পাছ" হৈছে। ১৮৮৮ খৃষ্টাব্দত ইটালীত প্ৰাণদণ্ড প্ৰথা ৰহিত কৰা হৈছে। ইউনাইটেড্‌ ষ্টেট্‌ছতো প্ৰায় ৰহিতেই হৈছে। প্ৰুছিয়া আৰু বেভেৰিয়াত এই দণ্ড উঠি গল বুলিব লাগে। ১৮৬৬ সনৰ পৰা বেল্‌জিয়মতো এই দণ্ড নাই বুলিব লাগে; কাৰণ ফাঁচীৰ হুকুম হলেই সেই দণ্ড সততে যাবজ্জীৱন ফাটকত পৰিণত কৰা হয়। ১৮৭০ সনৰ পৰা হলেণ্ডত এই দণ্ড উঠাই দিয়া হৈছে। ৰুছিয়াতো এই দণ্ড নাই বুলিলেই হয়। ছুইট্‌জাৰ্লেণ্ডতো সেই কথাই। মানুহ-বধ বেআইনীয়েই হওক বা

আইনীয়েই হওক, নিশ্চয় মানুহ-বধ। মানুহক ঈশ্বৰেহে সৃজিছে, কোনো ৰাজশক্তিয়ে সৃজা নাই। ঈশ্বৰেহে মানুহৰ জীৱন দিব-নিব পাৰে। অৱশ্যে মানুহ-বধী খুনীয়ে কঠোৰ শাস্তি পাব লাগে; কিন্তু লি আন এটাৰ প্ৰাণ বেআইনীকৈ ললে বুলি তাৰ প্ৰাণটোকো (মানুহে কৰা আইনমতে যদিও) লোৱাটো ঈশ্বৰৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰা হয় বুলি আমাৰ বিশ্বাস। ফাঁছীৰ বা প্ৰাণ দণ্ডৰ সলনি দিবলৈতো অনেক প্ৰকাৰৰ শাস্তি আছে। প্ৰাণদণ্ড উঠি-যোৱাই মঙ্গল।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# দীঘল আৰু কটীয়া মানুহ।

পৃথিবীৰ সকলো জাতিৰে মানুহৰ দেহাৰ উচ্চতা গড়ে ৫ ফুট ১০ ইঞ্চিতকৈ বেছি নহয় আৰু গড়ে ৪ ফুটতকৈ কম নহয় বুলি সাধাৰণতঃ জনা যায়, কিন্তু এই নিয়ম লঙ্ঘন কৰি সময়ে সময়ে জগতৰ কোনো কোনো ঠাইত দুই এজন কটীয়া আৰু দুই এজন দৈত্যাকাৰ মানুহ পোৱা যায়। ওপজাৰ পাছত সাধাৰণতঃ লৰা ১৯$\frac{1}{2}$ ইঞ্চি আৰু ছোৱালী ১৯$\frac{1}{3}$ ইঞ্চিতকৈ বেছি ওখ নহয়। তাৰ পাছত বয়সৰ লগে লগে লাহে লাহে বাঢ়ি গৈ থাকে। মানুহ দীঘল ডাঙৰ হোৱাটো জাতীয় জীৱন আৰু পূৰ্ব্বপুৰুষবিলাকৰ শৰীৰৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। সাকৰা বস্তু খোৱা, নিৰ্ম্মল বতাহ লোৱা আৰু নিয়মিত পৰিশ্ৰমৰ পৰা শৰীৰৰ গঠন ভাল হয়।

জেফ্ৰি হাড্‌সন নামে এজন নামজ্বলা কটীয়া মানুহ ১৬১৯ খৃষ্টাব্দত ইংলণ্ডৰ ৰাটল্যাণ্ড শ্বায়াৰত ওপজে। তেওঁৰ ৮ বছৰ বয়সৰ সময়ত ৰাকিংহামৰ ডিউকে এই কটীয়া মানুহজনক ৰাণী হেনৰিয়েটাৰ ওচৰত ৰটা স্বৰূপ পঠায়। তাৰ পাছত তেওঁক ১ম চাৰ্লসৰ ৰাজসভাত নিয়ে। সেই সময়ত জেফ্ৰি কেৱল ১৮ ইঞ্চি মাত্ৰ ওখ আছিল। ৩০ বছৰলৈকে এওঁৰ গা একে ৰকমে থাকি তাৰ পাছত হঠাৎ বেছিকৈ বাঢ়িব ধৰিলে আৰু অলপ দিনৰ ভিতৰতে ৩ ফুট ৯ ইঞ্চি ওখ হল। ৩০ বছৰৰ পাছত কোনো মানুহে এক সিকি ইঞ্চিতকৈ বেছি বাঢ়িব নোৱাৰে, কিন্তু জেফ্ৰিয়ে চলিত থকা নিয়ম লঙ্ঘন কৰি বাঢ়িছিল। এওঁৰ মূৰ, হাত ভৰি বৰ ডাঙৰ আছিল।

বোৰলাকি নামৰ এজন কটীয়া মানুহ ১৭৩৯ খৃষ্টাব্দত পোলণ্ডৰ কোনো এঠাইত ওপজে। এইজন কটীয়া মানুহ বহুত দিন ধৰি জীয়াই আছিল। তেওঁ ৯৮ বছৰ বয়সত মৰে। ৩০ বছৰৰ পাছত এওঁ ৩ ফুট ৩ ইঞ্চি ওখ হয়, তাৰ পাছত বহুত দিনলৈকে নবঢ়াকৈ আছিল। ৭০ বছৰ বয়সৰ পাছত তেওঁ দেখিলে যে দুৱাৰৰ খিলি তেওঁ নিজে বন্ধ কৰিব পৰা আৰু খুলিব পৰা হল। ইয়াৰ আগেয়ে তেওঁ এই কামটি এডাল লাঠিৰে কৰিছিল! মোটৰ ওপৰত তেওঁ কিমান বাঢ়িছিল তাক ঠিক কৰি জানিব পৰা নগল।

দীঘলীয়া মানুহবিলাকৰ গাটো সাধাৰণ ৰকমৰ নহয়। তেওঁলোকৰ ভৰি দীঘল হোৱাৰ গতিকে দেখাত শুৱনি নহয়। তেওঁলোকৰ কোৱা শক্তিৰ বল কম আৰু অন্তৰৰ হাওঁফাওঁ দুৰ্ব্বল—এই কাৰণে কম দিন জীয়াই থাকে। তেওঁলোকৰ বুকত প্ৰায় কফে ভৰি থাকে, এইবিলাক কাৰণে কথাবিলাক সলসলিয়া কৈ কব নোৱাৰে। আয়ৰ্লণ্ডৰ নামজ্বলিকা দীঘলা ওব্ৰায়েন ৮ ফুট ৪ ইঞ্চি ওখ আছিল। তেওঁ ২২ বছৰ বয়সতে মৰে।



কৰ্ণেলিয়াস ম্যাকগাৰ্থ নামৰ আন এজন দীঘলা মানুহ আছিল। তেওঁ একে বছৰৰ ভিতৰতে ১৮ ইঞ্চি ওখ হৈ পাছত ৭ ফুট ৮ ইঞ্চি লৈকে ওখ হৈছিল। এওঁ ২২ বছৰ বয়সতে মৰে। এওঁৰ শৰটো ডবলিনৰ ট্ৰিনিটী কলেজত ৰখা আছে।

চিন দেশতো এজন নাম দীঘলা মানুহ আছিল। তেওঁৰ নাম ধাম যদিও পোৱা নগল, তথাপি তেওঁ ৮ ফুট ৩ ইঞ্চি ওখ আছিল বুলি জনা গৈছে।

শ্ৰীকমলাকান্ত হাজৰিকা।

---

# অসমীয়া বাবু।

মোৰোৰ-পোলোৰ ডাঙৰ দীঘল টেৰি কাটা চুলি।
নাক খঁৰা তাৰ গোঁফ পাতল, ডাঢ়ি পেলাই তুলি॥
দুই চকু তাৰ পুঠি মাছ, সদাই ধৰফৰ।
খোপৰপৰা ফুটি ওলাই, মাৰিব খোজে লৰ॥
বুকু বহল পেটটি সৰু, ফিন্দাই ফিন্দাই ফুৰে।
বাহিৰত কি ঘৰত কি গাৰ চোলা নেৰে॥
আফিচত সি পিন্ধে ঠেঙ্গা, মূৰত মখমল টুপী।
বাটে পথে ছাতা এৰি, নলয় বৰ জাপি॥
ঘৰৰ গাত থানৰ ধুতি, চুটি পিৰণ গায়।
আগ চোতালত চকীত বহি বাটৰ মানুহ চায়॥
কাকত পঢ়াত কিতাপ পঢ়াত নাযায় তাৰ মন।
লগৰীয়া ভাগৰীয়া সদাই দুই এক জন॥
আৰেলিৰ ফেদেলিৰ অন্ত নাই তাৰ।
পাশা পালে মাজ নিশালৈ চ'লে মাৰ মাৰ॥
পুৱা উঠি হত বুদ্ধি কাম কাৰ্য একো নাই।
ইগৰ সিগৰ কৰি ফুৰে ধপাত চিলিম খাই॥
নও বাজিলেই হুকুৰি নও আহি মূৰত চৰে।
সিহাদিহি যেয়ে যতে ঘৰে ঘৰে লৰে॥
বেগাবেগি খাই বই উঠি আকৌ ওলাই যায়।
পাঁচ নাবাজাৰ আগে ইয়াৰ ফিৰাৰ উপায় নাই॥
তেল-খাৱনীয়া ইংৰাজীৰে ঘটোমটো কৰি।
উভুৰ কথা বুজক বুজাই দিনটো কটায় ঘুৰি॥
গাখীৰ, গুৰ, মাছ, তামোলটো, সৰু সুৰা ভেঁটী।
পায় যদিহ্যাৎ সিদিন তাৰ নহয় দিনটো ক্ষতি॥
এক পথে তাৰ গতি সদা—কাছাৰি যি বাটে।
এক কামে তাৰ মতি সদা—নথি লই খাটে।
নাই তাৰ লোভ অভিলাষ, সদাই নিৰ্বিকাৰ।
পেন্‌চনৰ মাথোন টকা কেইটি ধ্ৰুৱ তাৰা তাৰ॥
কুসংস্কাৰ নাই তাৰ এটিও মনৰ মাজে।
তথাপি সি আচাৰ-বিচাৰ নেৰে চকুৰ লাজে॥
নাম প্ৰসঙ্গত নাই মতি তথাপি যি ৰীতি।
লৰা-ছোৱালীক লগাই কাম আদায় কৰে সিটি॥
বামুণলৈ ভক্তি নাই মূৰত নাই টিকি।
হাতযোৰ কৰি ফুলটি লই, খোচে বেৰাৰ দিকি॥
পুহমহীয়া ৰাতি জাৰ গা ধোৱে কি ৰূপে।
হৰহৰকে চোতালত পানী ঢালি কঁপে॥
জাহাজত ফুৰা টান, নবয় হিন্দুয়ানী।
চাহ-বাকচৰ দমত উঠি কৰে কিবা কিনি॥
মনে মনে যি কি কৰে কিবা লাজ তাৰ?
সংস্কাৰ—সি মনৰ কথা ধাৰ থায় কাৰ?
শিক্ষা বলে এনে ৰূপে তৰ্ক কৰে সদা।
গাৰ বলে নজনাক কৰি থয় ভোদা॥
তৰ্ক হলে জয় তাৰ আছে সদাই লগে।
নোজোকালে মেৰ ছাগ, জোকাই চালে বাগে॥
খণ্ড উঠিলে তপত তেল, কিল খালে কাবু।
এওঁ এই আমাৰ আসামৰ অসমীয়া বাবু॥ *

* (ডায়েক ৺হৰনাৰায়ণ বৰাৰ নামত, আচলতে) শ্ৰীযুত বলি নাৰায়ণ বৰা ডাঙৰীয়াৰ দ্বাৰাই সম্পাদিত "মৌ"ৰ পৰা।

# বায়ু।

আমি আহাৰ খাই জীয়াই থাকোঁ। এই আহাৰ-পানী নহলেও কিছুদিন জীব পাৰোঁ। কিন্তু বায়ু নহলে এখন্তেকো থাকিব নোৱাৰোঁ। তাৰ প্ৰমাণ জীৱ-জন্তুৰ জন্ম। লৰা-ছোৱালী, কিম্বা গৰু-পোৱালীৰ জন্ম হলেই ফু দিয়ে। কাৰণ জন্মাৱস্থাত বতাহৰ চাপ নাপালে সি নাবাচে। আকৌ বায়ুৰ হেচা পোৱাৰ কাৰণেই লৰা-ছোৱালীয়ে জন্মাৰ পাছতেই ৰৰকৈ কান্দে। সেই কাৰণে নিয়মীয়া বিশুদ্ধ বায়ুৰ দৰকাৰ। আমি সদায় উশাহ-নিশাহ লওঁ। এনেকুৱা অৱস্থাত আমি নাকেৰে শুদ্ধ বতাহ ভিতৰলৈ নিব লাগে। সুগন্ধি ফুল, তেল আদি নানা বস্তুৰ গোন্ধ লোৱা মানে বিশুদ্ধ বতাহ শৰীৰৰ ভিতৰলৈ নিয়া। নিৰ্ম্মল বায়ু শৰীৰৰ ভিতৰত সোমালে তেজ পৰিষ্কাৰ হয়, আৰু স্বাস্থ্যও ভালে থাকে।

আমি বতাহক নেদেখোঁ। মানুহৰ দৰে ইয়াৰো বহুত নাম আছে। যথাঃ—স্থিৰ বায়ু, মন্দ বায়ু, মৃদু বায়ু, তেজোবায়ু, হুৰুকা বতাহ, ধুমুহা বতাহ, বৰ ধুমুহা বতাহ। বৈজ্ঞানিক মতে বতাহ, শমিৰণ, পৱন, বাত, জতিকা বা জড়, ধুমুহা আৰু ঝঞ্জা ইত্যাদি।

বায়ুৰ নাম অনুসাৰে গতি। ই ঘণ্টাত ৯০ মাইলতকৈও বেছি চলিব পাৰে। ই স্বচ্ছ পদাৰ্থ। তদুপৰি ই স্থিতি স্থাপক। সাধাৰণতে জাৰকালি উত্তৰৰ পৰা দক্ষিণলৈ বতাহ বয়। ঘাম-কালি ইয়াৰ বিপৰীত। এনেকৈ বায়ু বোৱাত বহুত লোকৰ অনেক সুবিধা হয়। আনকি বাণিজ্য বায়ুৰ কাৰণে বহুতে বেপাৰৰ সুবিধা লগায়। সেই বুলি সকলো ঠাইতে সুবিধা নহয়। চিমুম, হাৰ্ম্মাতাল আদি বতাহে কোনো কোনো ঠাইত বহুত মানুহক বৰ কষ্ট দিয়ে। যদিও বায়ুৰ নাম আছে তথাপি ইয়াৰ বৰণ নাই।

গোটেই পৃথিবীখন বায়ুৰে আবৃত হৈ আছে। পৃথিবী পৃষ্ঠ সকলো বস্তুৰ প্ৰতি বৰ্গ ইঞ্চি পৰিমাণ ঠাইৰ ওপৰত /৭॥•সেৰ বায়ু আছে। বৈজ্ঞানিক পণ্ডিতসকলে বায়ু-সাগৰৰ গভীৰতা জুখি উলিয়াইছে। তেওঁলোকসকলৰ মতে ২০০ মাইল ওপৰলৈ বায়ু আছে। কিন্তু ক্ৰমৎ ওপৰলৈ পাতল চেঁচা বায়ু পোৱা যায়। এসময়ত কিছুমান চাহাবে আল্পচ্ পৰ্ব্বতৰ ১।১॥ মাইল ওপৰলৈ উঠোঁতেই গা ফাটি তেজ ওলাইছিল আৰু সকলোৰা কথা নুশুনিছিল। বায়ু নহলে আমাৰ কথা-বাৰ্ত্তা নিচেই ওচৰত থকা মানুহেও নুশুনিলেহেঁতেন। শব্দ উঠাৰ মূল কাৰণো বায়ু। এই বায়ু নহলে সঙ্গীত গোৱা যন্ত্ৰও নোলালহেঁতেন। যেনেকৈ মাছবিলাক পানীত ফুৰে তেনেকৈ আমিও বায়ু সাগৰত ফুৰোঁ। পানীৰ অভাৱত মাছ মৰি যায়। কাজেই বায়ুৰ অভাৱত খেচৰ, ভূচৰ, জলচৰ সমুদায় প্ৰাণী মৰি যাব। অৱশ্যে বিশ্ব-কৰ্ত্তাৰ ব্ৰহ্মাণ্ডত এদিন বায়ু নোহোৱা হব। তেতিয়া গভীৰ সাগৰৰ দ গাঁতবোৰ আৰু ওখ পৰ্ব্বতৰ টিংবোৰত বাদে অইন একোৱেই নাথাকিব।

বায়ু কিহেৰে নিৰ্ম্মিত।

| | | |
|---|---|---|
| যৱক্ষাৰজান (Nitrogen) | ৭৭.৯৭ | ভাগ। |
| অম্লজান (Oxygen) | ২০.৯৯ | ,, |
| অঙ্গাৰাম্ল (Carbonic Acid gas). | •৪ | ,, |
| পানীয় জুলীয়া ভাপ | ১.৪ | ,, |
| জেনল | কম | ভাগ। |
| এমোণিয়া (Ammonia) | | ,, |
| ওজোন (Ozone) | | ,, |
| ক্ৰিপটন্, নিয়ন্, আৰগণ | •.৮ | |

ইবিলাকৰ ভিতৰত অক্সিজেন প্ৰাণীৰ বৰ হিতকৰ। ই নাইট্ৰোজেনৰ লগত মিলি আমাৰ উপযোগী হয়। কাঠ, কয়লা আদি উদ্ভিদ পুৰিলে, প্ৰশ্বাসত কাৰ্বনিক এছিদ গ্যাছ উৎপন্ন হৈ বায়ুৰ লগত মিলি যায়। এই গ্যাছ নিশ্বাসত নিলে মানুহ মৰিবও পাৰে। ই বায়ুতকৈ গধুৰ। এই গ্যাছ পুৰণি নাদৰ তলত জন্মে। উদ্ভিদে এই গ্যাছ খায়। অন্ধকাৰ ঘৰত অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ



পোক থাকে। কাৰণ বতাহ অহা-যোৱা কৰিব নোৱাৰে। ঘৰৰ কাষৰ খালৰ মলা পানীৰ ভাপ উঠে। সেই ভাপ বতাহতে ঘৰত সোমায়। কাজেই এনেকুৱা দূষিত বায়ুৰ পৰা বেমাৰ হয়।

বায়ু কেনেকৈ দূষিত হয় আৰু কেনেকৈ নিৰ্ম্মল হয়।

জীৱ-জন্তুৰ শৰীৰ পচি এমোনিয়া নামেৰে এক ৰকম গ্যাছ বায়ুৰ লগত মিল হয়। এনেকুৱা বায়ুও অহিতকৰ। বায়ু দূষিত হোৱাৰ আৰু অইন কাৰণো আছে যথাঃ—

১। নিশ্বাস-প্ৰশ্বাস।
২। দহন বা পোৰা।
৩। গেলা বা পচা।
৪। ধূলিকনা।
৫। জীৱাণু।

১। প্ৰশ্বাসত বিষাক্ত গ্যাছ বাহিৰ হয়। এটা ঘৰত বহুত মানুহ থাকিলে এনেকুৱা গ্যাছ বহুত উৎপন্ন হয়। কাজেই এই গ্যাছ ওলাই যাবলৈ খিৰিকি দুৱাৰ যথেষ্ট ৰকমে থকা দৰকাৰ। নহলে এনেকুৱা বিষাক্ত বায়ুৰ পৰা ডাঙৰ বেমাৰ হয়। এখন বিছনাত থকা দুজনৰ নাকেৰে ওলোৱা এই গ্যাছ পৰস্পৰৰ অহিতকৰ। কাজেই এখন বিছনাত এজন শোৱা উচিত।

২। দহন ক্ৰিয়াৰ পৰা কাৰ্বণিক এছিদ গ্যাছ জন্মে। ই আমাৰ শৰীৰৰ পক্ষে হিতকৰ নহয়। কাজেই খিৰিকি দুৱাৰ বন্ধ কৰি ঘৰত জুই ধৰা বৰ বিপদজনক। কেৰাচিন তেলৰ চাকিৰ পৰাও কিছু বেয়া বায়ু উৎপন্ন হয়। ই সিমান অনিষ্টকাৰী নহয়। ইয়াতকৈ মিঠাতেল, এৰা-গুটি তেল আদিৰ চাকিয়েই উপকাৰী। জীৱ-জন্তু পুৰিলেও বায়ু দূষিত হয়।

৩। জীৱ-জন্তু, উদ্ভিদ আদি পচি এক ৰকম বিষাক্ত দুৰ্গন্ধ বায়ু উৎপন্ন হয়। ই মানুহক মাৰিব পাৰে। কলৰ বাকলি বা আবৰ আদি ঘৰৰ ওচৰত পেলোৱা দ্ৰব্যৰ পৰা বায়ু দূষিত হয়। ঘৰৰ ওচৰৰ খালত মৰাপাট কিম্বা কামি-কঁহা গোঁৱালেও বায়ু দূষিত হয়। মুচিয়াৰে মৰাজন্তুৰ ছাল চেলোৱাত বায়ুদূষিত হয়। দুই ঘৰৰ মাজৰ জেকা, বদ নপৰা ঠাইৰ পচা বস্তুৰ পৰাও বায়ু দূষিত হয়।

বিশুদ্ধ বায়ু ল'বলৈ হলে ঘৰ-দুৱাৰ পৰিষ্কাৰে ৰাখিব লাগে। ঘৰৰ কাষত জাবৰ পেলাব নালাগে। আনকি ঘৰৰ চুক কোণবোৰো পৰিষ্কাৰ হব লাগে। ঘৰৰ ওচৰতে শ্মশানশালি হব নালাগে। পচা বস্তুৰ গোন্ধ বতাহতে মিহলি হৈ আহিলেও তৎক্ষণাত খিৰিকিৰে যাব পৰা হব লাগে।

৪। বায়ু থকা ধূলিকণাবোৰ নানাবিধ দূষিত পদাৰ্থৰ সংমিশ্ৰণত উৎপন্ন। এই ধূলিকণাৰ যোগ হৈ বসন্ত, যক্ষ্মা প্ৰভৃতি ৰোগৰ বীজাণু বিয়পে। ধূলিকণাৰ যোগতেই যুদ্ধজ্বৰৰ বীজাণুও ইউৰোপৰ ফ্ৰান্সৰপৰা ক্ৰমাৎ বিয়পিছে।

৫। পানীত অনেক জীৱাণু থাকে। বায়ুতো অনেক জীৱাণু থাকে। মহামাৰী, জ্বৰ, বাণকাহ, বসন্ত, যুদ্ধজ্বৰ আদি সংক্ৰামক বেমাৰবোৰৰ জীৱাণু বতাহে বিস্তাৰ কৰে।

(ক) বৰষুণত কাৰ্বণিক এছিদ গ্যাছ প্ৰভৃতি পানীত মিহলি হয়, আৰু ধূলিকণা নোহোৱা হয়। বিষাক্ত গ্যাছেও বৰষুণনত বল কৰিব নোৱাৰে। সেয়েহে লালিপতা বৰষুণত কলেৰা থাযে।

(খ) সূৰ্য্যৰ তাপত, বতাহত থকা জীৱাণুৰ বল কম। তপত পানীত পোক মৰাৰ দৰে সূৰ্য্যৰ তাপত বহুত জীৱাণু নষ্ট হয়।

(গ) আমি কাৰ্বণিক এছিদ গ্যাছ উলিয়াই দিওঁ। কিন্তু ই গছৰ প্ৰধান হিতকৰ। আকৌ গছে অক্সিজেন গ্যাছ উলিয়াই দিয়ে। এই অক্সিজেন গ্যাছ মানুহৰ বৰ হিতকৰ। গছে কাৰ্বণিক এছিদ গ্যাছৰপৰা কাৰ্বণ গ্ৰহণ কৰি বায়ু নিৰ্ম্মল কৰে। সেই কাৰণেহে বহুত ষ্টেশ্যন নাইবা বহুত মানুহ গোট খোৱা ঠাইত গছৰ ডাল ওলমাই দিয়ে। আৰু বহুত ধুনীয়া ফুল-ফল ঘৰৰ চালত আঁৰি ৰাখে। ঘৰৰ চাওঁৰ তলৰ বায়ু নিৰ্ম্মল কৰিবলৈ ধুনা গন্ধক আদি পুৰিব লাগে। পাৰিলে ২।৩ দিনে ৫ তোলা গৰুৰ ঘি, আম-ডমৰু সমীধ গছৰ ডালেৰে পুৰিব লাগে। ৫ তোলা ঘি খালে যি ফল হব, পুৰিলে তাতোকৈ বেছি ফল হব।

(ঘ) বৰ ধুমুহা বতাহত বায়ুত থকা বেয়া বস্তুবোৰ উৰি যায়। কাজেই ধুমুহা বতাহ বৰষুণ

হোৱাৰ পাছত আকাশ নিৰ্ম্মল হয়, আৰু বহুত জীবাণু বহুত দূৰলৈ উৰি যোৱাত সংক্ৰামক বেমাৰৰ প্ৰকোপ কমে।

(ঙ) ঘৰত বতাহ চলাচল হলেও বায়ু নিৰ্ম্মল হয়। বিশুদ্ধ বায়ুৱে আমাক বলী আৰু নিৰোগী কৰি ৰখাত সহায় কৰে। ৰাতিহে বিশুদ্ধ বায়ুৰ বেছি দৰকাৰ। ঘৰৰ ওচৰত গছ-বন নহলে আৰু ওচৰতে ভাল পানীৰ পুখুৰী থাকিলেও নিৰ্ম্মল বায়ু পোৱা যায়। ঘৰৰপৰা কিছু দূৰৈত ঘৰলৈ বতাহ চলা অনুমানে দিক নিৰ্ণয় কৰি ডাঙৰ ডাঙৰ ফুলৰ গছ ৰোৱা বাঞ্ছনীয়।

যেই সেই কামতেই গা কুজা নকৰিবা। কাৰণ হাওঁফাওঁৰে চেপা খাব আৰু বায়ু সোমোৱাত বাধা জন্মাব। ফুটবল আদি খেলাত হাওঁফাওঁ খুব ভালকৈ ফুলি থাকে। সেই বাবেহে বিশুদ্ধ বতাহ শৰীৰত অহা-যোৱা কৰিব পাৰে। বিশুদ্ধ বতাহ শৰীৰত সুবিধা ৰকমে চলাবৰ ইও এটা উপায়। সেয়েহে খেলাত স্বাস্থ্য ভালে থাকে।

*দূষিত বায়ুৰ অগুণ।*

দূষিত বায়ুৰপৰা নানা ৰোগ জন্মে। যথাঃ—পানী-লগা কাঁহ, নাৰেঙ্গা-হাপানি, যক্ষ্মা, বসন্ত, জ্বৰ, যুক্তজ্বৰ প্ৰভৃতি।

থকা ঘৰত বস্তুবোৰহানি কম পৰিমাণে থব লাগে। বায়ু চলিবলৈ খিৰিকি দুৱাৰ যথেষ্ট ৰকমে থাকিব লাগে। বিশেষকৈ নামঘৰ, স্কুল-ঘৰ, থিয়েটাৰঘৰ আদিত খিৰিকি দুৱাৰ বেছিকৈ থাকিব লাগে। কাৰণ ইয়াত সদায় বহুত মানুহ চলা-চল কৰে। ৫ জন মানুহৰ পক্ষে ৬০ ইঞ্চি দীৰ্ঘ ১৫ ইঞ্চি বহল, ১২ ইঞ্চি ওখ ঘৰ হোৱা বাঞ্ছনীয়। কিন্তু ঘৰত হিজিবিজিকৈ বস্তু থোৱা অনুচিত। আমাৰ ঘৰবোৰ একোখন বিশৃঙ্খলাৰ ৰাজ্য। ঘৰৰ বস্তু পৰিপাটিকৈ থবলৈ খুব পৰ্য্যবেক্ষণ শক্তিৰ দৰকাৰ।

*ঘৰত বায়ু চলিবৰ উপায়।*

ঘৰ সাজোতেই দুৱাৰ-খিৰিকি ঠিক কৰি দিব লাগে। আমাৰ গাওঁবোৰত প্ৰায় মানুহে খিৰিকি নাকাটে। কাৰণ যোপা-ককাকৰ দিনৰ বেৰবোৰ নষ্ট হব। ই বৰ ভুল। খিৰিকি কাটিলে বায়ু চলা-চলৰ সুবিধা হয় আৰু সেই ঘৰ স্বাস্থ্যৰ উপযোগী হয়। তাত জীৱাণু বা দুৰ্গন্ধ নাথাকে। ঘৰ ওখ হব লাগে। বহুতে কয় যে আতা-পিতাৰ দিনত খিৰিকি নাছিল; কাজেই এতিয়ানো আমাৰ দিন নাযাবনে? ই কুসংস্কাৰ মাথোন। ফলত অধোন্নতি হয় আৰু সন্তান সন্ততিও দুৰ্বলী হয়।

(আগলৈ আছে।)

শ্ৰীদণ্ডী ৰাম দত্ত।

---

# পানী।

ই এবিধ যৌগিক বস্তু। জলজান (Hydrogen) আৰু অম্লজানৰ (Oxygen) ৰাসায়নিক সংযোগত পানী উৎপন্ন হয়।

পানীয়ে সদায় ঠাই আবৰি থাকে। ইয়াৰ আকাৰ, বৰণ আৰু সোৱাদ নাই। ই সদায় সমান অৱস্থাত থাকে। পানী যি পাত্ৰত থোৱা হয়, সেই পাত্ৰৰ গঢ় লয়। সেই কাৰণেই ইয়াক জুলীয়া বস্তু বোলে। পানী দমাব নোৱাৰি। কিয়নো পানীৰ বিন্ধা নাই। ই ৰবৰ হলেহে কিছু টান হয়।

পৃথিৱীত থকা সকলো জীৱকেই পানী লাগে, সেইহে ঈশ্বৰে পানী দিছে। এই পানী পৰিষ্কাৰকৈ

*পানীৰ উপকাৰীতা।*

খাব লাগে। পৰিষ্কাৰ পানী খালে স্বাস্থ্য ভালে থাকে। কিন্তু অপৰিষ্কাৰ পানী খালে, নানা ৰোগ হয়। পানী নহলে শস্যও নহয়। আনকি পৃথিৱীত পানী নোহোৱা মাত্ৰেই, পৃথিৱীৰ সকলো বস্তু লয় হব। সেইহে পানী সকলোৰে উপকাৰী। দিনে-ৰাতিয়ে আমি বহুত পানী ব্যৱহাৰত লগাওঁ। সকলো ৰকমৰ পানী বিশুদ্ধ হব



লাগে। আনকি অপৰিষ্কাৰ পানীৰে হাত-ভৰি ধোৱাও নিষেধ। আমাৰ গাৰ প্ৰায় $\frac{৩}{৪}$ অংশ পানী। পানীয়ে খোৱা বস্তু জীণ নিয়ায়। মূত্ৰ আৰু ঘামৰ পানীত, গাৰ মল বাহিৰ হয়। আনকি মূত্ৰ-ঘামৰ সহায়ত গাৰ তেজ চলাচল কৰে। গৰমকালি গাৰ ঘাম মোহৰাৰ পিছত গাত তেজ উঠাটোৱেই ইয়াৰ লক্ষণ। আমাৰ গাৰ সকলো অংশতেই পানী আছে। আমি খোৱা বস্তুৰ বেছি অংশ পানী। আকৌ সেই খাদ্য আজিৰ্ণলৈকো পানীৰ দৰকাৰ। নাও, জাহাজ, গাড়ী আদি চলাবলৈও পানীৰ দৰকাৰ। ই নহলে চলিবই নোৱাৰি। জগতত ওলোৱা আকাশী ৰথকে আদি কৰি অদ্ভুত যন্ত্ৰবোৰো পানীৰে আবিষ্কৃত বুলি কলেও অত্যুক্তি নহয়।

পৃথিৱীৰ $\frac{৩}{৪}$ অংশই পানী। এই পানী সূৰ্য্যই বাষ্প ৰূপে তুলি নিয়ে। পাছত নানা

*পানী কেনেকৈ পায়।*

কাৰণত বৰষুণ হৈ নদ-নদী, খাল, বিল পূৰ হয়। বায়ুমণ্ডলৰ থাপে থাপে বহুত ৰকমৰ গ্যাছ আছে। বৰষুণৰ পানী এই গ্যাছৰ লগত মিলি পৃথিৱীত পৰে। ঠায়ে ঠায়ে দুৰ্গন্ধ গ্যাছৰ লগত মিলি অহা ঘন মেঘেৰে বৰষুণ হয়। সেই কাৰণে বৰষুণৰ পানীও বিশুদ্ধ নহয়।

আমি সাধাৰণতে এইবিলাক পানী ব্যৱহাৰ কৰোঁ।

*পুখুৰী, নাদ, আৰু নদীৰ পানীৰ উপকাৰীতা আৰু দূষিত পানী চাফ কৰা।*

(ক) পুখুৰীৰ পানী।
(খ) নদী, খাল, বিল, হ্ৰদ আদিৰ পানী।
(গ) নাদৰ পানী।

(ক) পুখুৰীৰ পানীত সোঁত নহলেও, গাৱঁলীয়া মানুহৰ পক্ষে পুখুৰীৰ পানী উপকাৰী। তথাপিও পুখুৰী পৰিষ্কাৰ ৰখাত বৰ অসাৱধানতা দেখা যায়। বহুতে পুখুৰীত গা ধোৱে, মুখ ধোৱে, খেকাৰ পেলায়, কাপোৰ ধোৱে, বাচন-পাত্ৰ ধোৱে আৰু কৰা-কামি গোঁবায়। তদুপৰি ওচৰতে শৌচ কৰি তাত পানী লয়। ইয়াত বাজেও গৰু ম'হে মল ত্যাগ কৰা পানী খায়। তথাপি খোৱা আৰু ৰন্ধা পানী তাৰ পৰা নিয়ে। এনে কৰা অনুচিত।

পুখুৰীত সদায় দ পানী থকা দৰকাৰ। সুবিধা মতে এখন গাৱঁত এটা পুখুৰী কৰি লব লাগে। মাছ আৰু পাৰৰ জীয়া গছে পুখুৰীৰ পানী ভাল কৰে। কিন্তু পুখুৰীৰ বন-পাত গুচাব লাগে। বৰষুণৰ পানী বৈ গৈ তাত পৰিব নেলাগে। পানী-অনা দলং দিব লাগে। চাৰিও পাৰে, ধুনীয়াকৈ বেৰা দিব লাগে। পাৰিলে পাৰত দুৰন্ত গছ কৰ লাগে। তেতিয়া স্থায়ী বেৰা হয়। পুখুৰীৰ পাৰ ওখ হব লাগে। পুখুৰীত যিমান লাভ হয়, তাৰ সমান মাটিত সিমান লাভ নহয়। পুখুৰীৰ পানী-মাছ খোৱাৰ বাহিৰেও পাৰৰ শাক-ফুলৰ বাগিচাৰ পৰাও যথেষ্ট লাভ হয়। পাৰত বা ওচৰত গছ থাকিব নেলাগে। আনকি ওচৰত গা ধোৱাও নিষেধ। কাৰণ ময়লা পানী নিজৰি গৈ পুখুৰীত পৰাৰ ভয় থাকে। গাৱঁত কলেৰা আদি সাংঘাটিক বেমাৰত পুখুৰীৰ পানীত কিছু 'পটাস' আৰু চূণ দিয়া উচিত। ই পানী পৰিষ্কাৰ কৰাত সহায় কৰে।

(খ) ডাঙৰ নৈৰ পানী ভাল। কাপোৰ ধুলে, পাৰত শ পেলালে বা পুঁতিলে, গৰাত শৌচ কৰিলে সৰু নৈৰ পানী সোনকালে দূষিত হয়। এইবিলাক কাৰণেই নৈৰ পানী খালে কলেৰা বেমাৰৰ সময়ত বেছি মানুহ হানি হয়। পানীখোৱা ঘাটৰ ভটীয়াই শাক-পাত নাইবা গাধোৱা আৰু কাপোৰ ধোৱা কাম কৰিব পাৰি।

(গ) নাদঃ—

খাল, বিলৰ পানী দেখোঁতে পৰিষ্কাৰ হব পাৰে। কিন্তু তাত বন পাতৰ অনেক বিষাক্ত বস্তু আছে। তেনে পানীৰ পৰা অনেক বেমাৰ হয়। ভাল নাদৰ পানী ইয়াতকৈ ভাল। নাদ কৰোঁতেই পানী উঠা ঠাইত সুন্দৰ বালি আৰু সৰু সৰু শিল দিয়া ভাল কথা। নাদৰ কথা সকলোৱে জানেই। নিচেই ওচৰতে পানী উঠা নাদৰ পানী ভাল নহয়। কাৰণ বাহিৰৰ ময়লা আদি নিজৰি সোনকালে যাব পাৰে। সদায় ৰ'দ উঠা ঠাইত নাদ খানিব লাগে। নাদৰ ওচৰত গছ-ৰোৱা, গৰু-ম'হ বন্ধা খুঁটি

কৰা, গা ধোৱা বা আন আন বেয়া কাম কৰা অনুচিত। পানী তুলিবলৈ বাল্‌টিন্ দিয়াটো ভাল। ই প্ৰায় ২০ হাত দ হব লাগে। পকা নাদৰ পানীহে স্বাস্থ্যোপযোগী। নাদত বোকা হবলৈ দিব নেলাগে। তাত ২।৪ টা মাছ পুহিব লাগে। কাৰণ মহ মাহে খাই সাং কৰে। গাৱঁত সংক্ৰামক ৰোগ হলে, পানীত 'পটেছিয়াম' দিব লাগে। পাৰিলে ডাক্তৰ বা জনা মানুহৰ পৰা 'পটাস' দিয়া নিয়ম সুধি লোৱা উচিত। এটা নাদত আন্দাজ ৩৫ পোৱা 'পটাস' দিয়া ভাল। কিছু চুণ দিলেও পানী পৰিষ্কাৰে থাকে।

দূষিত পানীৰ পৰাই সকলো বেমাৰ উৎপন্ন হয়। কাজেই বেমাৰৰ গুৰি দূষিত পানী। আমাৰ গাৱঁত ফাগুণ, চ'তত পানীৰ আকাল হয়। কিন্তু জৎকালি এই আকাল মৰে। তথাপিও ফাগুণ, চ'তৰ খৰাং ধূলিৰ বোকা পানীৰ প্ৰকোপত আৰু ঘামকালিৰ হাবি-বন আদি পচা পানীৰ হেচাত নানা ৰোগ হয়। পানীৰ পৰা হোৱা বেমাৰ। যথা:—হাইজা, তেজহাগনি, সন্নিপাতজ্বৰ, নানা কৃমিৰ বেমাৰ আদি সাজ্যাতিক ৰকমৰ বেমাৰবোৰ। এইবোৰৰ বীজ শৌচত থাকে। এই বেমাৰ বিশেষকৈ শৌচৰ পৰা দূষিত পানীৰ দ্বাৰা বিয়পে। শৌচ আদি ময়লাবোৰ বৰষুণে উটাই নি খাল বিলত পেলায়। নিজৰি গৈ গাৱঁৰ পুখুৰীৰ পানীত সহজে সোমায়। কাজেই বাৰিষা বেমাৰৰ প্ৰকোপ বৰ বেছি।

লৰা-ছোৱালীবোৰে আৰু বেমাৰীলোকে ঘৰৰ ওচৰতে শৌচ কৰে। আৰু ৰোগীৰ ময়লা কাপোৰ পুখুৰীৰ পাৰতে ধোৱে। কাজেই পানী দূষিত হয়। যদিও বিশুদ্ধ পানী পোৱা টান তথাপিও তাক পৰিষ্কাৰকৈ লব পাৰি। তিনি প্ৰকাৰে পানী পৰিষ্কাৰ কৰিব পাৰি। যথা:——

(১) পানী উতলাই চেঁচা কৰি ব্যৱহাৰ কৰিব লাগে। এনে কৰিলে পানীৰ জীৱাণুবোৰ মৰি যায়। কিন্তু পানীৰ তলৰ মাটি আদিৰ গেদ জমে। আৰু ওপৰত মৰা পোক ভাহি উঠে। কাজেই এই পানী চেকিব লাগে।

(২) ৰাসায়নিক দ্ৰব্যৰ দ্বাৰা পানী নিকা কৰিব পাৰি। এসেৰ পানীত এক ৰতিমান ফিটকিৰি দিলেও পানী পৰিষ্কাৰ হয়। পানীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱাণু নাশ কৰিবলৈ পটাছিয়াম পাৰম্যাঙ্গানেট আৰু ক্লোৰেজেন দিব লাগে। এইবিলাক দিলে, পানী ৰঙা পৰাৰ ৩।৪ ঘণ্টা পিছতে পোক মৰে।

(৩) পানী উতলাই ফিলটাৰেৰে (Filter) পানী চেকি লোৱা প্ৰথাটোও ভাল। বহুতে ৰেল-ষ্টেশ্বনৰ ফিলটাৰ (Filter) দেখিছে। তাৰ ওপৰৰ কলহত উতলোৱা পানী, তাৰ তলৰটোত কয়লা (এঙাৰ), তাৰ তলৰটোত নিকা বালি আৰু ৪ৰ্থ কলহত নিকা পানী। কয়লা, বালি মাজে সময়ে সলাই দিব লাগে। কলহৰ তলিত পানী যোৱা অনুপাতে ফুটা কৰি খেৰ সুমুৱাই দিব লাগে। স্নানঃ——

শৰীৰক পৰিষ্কাৰ কৰি ৰাখিলে বহুত বেমাৰৰ পৰা হাত সাৰিব পাৰি। শ্ৰমৰ পিছত সৰু বিন্ধাইদি গা ঘামে। গাৰ সৰু সৰু বিন্ধাইদি, গাৰ ময়লাবোৰ বাহিৰ ওলায়। আমাৰ ছালৰপৰা একৰকম তেলীয়া বস্তু বাহিৰ হয়। ই ছালখনক খহতা হব নিদিয়ে। তেলীয়া বস্তু নথকাৰ কাৰণেই আৱত ছাল কোঁচ খায়। গাৰ ঘাম বতাহে উৰাই নিলে, ভিতৰৰ তাপ বাহিৰ হয় গা জুৰ পৰে। তাপত ঘাম হৈ আমাৰ গাৰ পানী বাহিৰ হয়। আৰু জাৰত প্ৰস্ৰাবেৰে পানী বাহিৰ হয়।

গা নুধুলে গাত মলি হয়, বিন্ধাবোৰ মৰি খৰ-খহু হয়। এইবোৰ নহবলৈ নিতৌ গা ধুব লাগে। গা ধুলে শৰীৰ শুচি হয় আৰু মন প্ৰফুল্লিত হয়। ঘৰৰ ভিতৰত গা ধুলে, বতাহে জীৱাণু নিব নোৱাৰে। সেই কাৰণে মুকলি ঠাইত গা ধোৱা ভাল। বতাহত চেঁচা লগাৰ কাৰণেহে চাহাববিলাকে ঘৰৰ ভিতৰত গা ধোৱে। গাত চাবন দিয়াৰ পিছত পানীৰে পৰিষ্কাৰকৈ গা ধুব লাগে। তাৰপিছত গাত তেল ঘঁহিব লাগে। পুনৰ সেই তেল ঘঁহাত মাখনৰ দৰে উঠা, গাৰ ফেনবোৰ যাবলৈ পানীৰে গা ধুব লাগে। এনেকুৱা কৰিলে গাৰ ঘা, খৰ নাথাকে।



গা ধুই জীকাই থাকিব নালাগে। কাৰণ গাৰ তাপ কমে। আৰু গাত খৰ, খজুৱতি হয়। বহুতে তপত পানীৰে গা ধোৱে। তপত পানী মূৰত ঢালিলে চকুৰ অনিষ্ট হয়। বিশেষকৈ যুৱকৰ পক্ষে চেঁচা পানীয়েই ভাল। পানীলগা আৰু বাত বেমাৰ আদিত গা দুৰ্বল হলে, কুহুমীয়া পানীৰে গা ধোৱা ভাল। গা মচি গৰম কাপোৰ পিন্ধিব লাগে। নতুন পৰিষ্কাৰ কাপোৰ পিন্ধি গুৰু-গোঁসাইৰ নাম লব লাগে। তাৰ পাছত ভাত খোৱা উচিত। গা ধুই নতুন কাপোৰ পিন্ধি ভাত খালে, মন প্ৰফুল্ল হয়। মন প্ৰফুল্ল হলেই স্বাস্থ্য ভালে থাকে।

গা ধোওঁতে প্ৰথমে মূৰত পানী ঢালিব লাগে। কাৰণ হাত-ভৰিত পানী দিলে, তেজ উভটি শৰীৰত বিঘিনি ঘটাবও পাৰে। গৰ্ভৱতী তিৰোতাই চেঁচা পানীৰে গা ধোৱা বৰ বেয়া। সেই কাৰণে কুহুমীয়া তপত-পানীৰে গা ধুব লাগে। হৰহৰকৈ পানী ঢালি গা ধুলে একো ফল নহয়। জিকা কাপোৰেৰে ঘঁহি ঘঁহি গা ধুব লাগে। যাতে গাৰ বিন্ধাবোৰ পৰিষ্কাৰ হয়। দুটা উপায়েৰে গাৰ বিন্ধাবোৰ পৰিষ্কাৰ কৰিব পাৰি। যথা:——(১) তেল ঘঁহি (২) চাবন মাৰি।

(১) গা ধোৱাৰ পূৰ্ব্বে গাত তেল দিব লাগে। তেলে গাৰ বিন্ধা মুকলি কৰি, গাৰ মল দূৰ কৰে। তদুপৰি গা গৰম ৰাখে। তেল ঘঁহিলে গাটো কোমল হয়। গা ঘঁহিলে স্ফূৰ্ত্তি হয়, ব্যায়ামৰ কাম হয়। মহ, মাখিয়ে কামোৰিবৰ সুবিধা নাপায়। ই মূৰ চেঁচা কৰি ৰাখে আৰু চুলিৰ সৌন্দৰ্য্য বঢ়ায়। তেল দিলে অকালতে চুলি নপকে। মূৰত দিবলৈ সৰিয়হৰ তেলতকৈ তিলৰ বা নাৰিকলৰ তেল ভাল। কাৰণ সৰিয়হৰ তেল জেপেতা আৰু বিশুদ্ধ তেল পাবলৈ মস্কিল। বায়ু থকা মানুহলৈ তিলৰ তেল ভাল। গাত তেল নিদি বেছি দামৰ চাবন ঘঁহাও বেয়া নহয়।

(২) চাবোন এবিধ খাৰ। চাবোনে পানীৰ সহায়ত গা পৰিষ্কাৰ কৰে। প্ৰথমে পানীৰে গা তিয়াই, চাবোন দি গা ঘঁহিব লাগে। পুনৰ পানীৰে পৰিষ্কাৰকৈ গা ধুই তেল ঘঁহিব লাগে। তেতিয়া মাখনৰ দৰে এটা বস্তু ওলাব। আৰু ছাল মিহি হৈ গা পৰিষ্কাৰ কৰিব। কিন্তু মাখনৰ দৰে ওলোৱা বস্তুবোৰ পানীৰে ভালকৈ ধুব লাগে।

আহাৰ খোৱাৰ পূৰ্ব্বেই গা ধোৱাৰ নিয়ম। আহাৰ কৰাৰ ৩।৪ ঘণ্টা পিছতহে গা ধুব পাৰি। নহলে খাদ্য জীণ নাযায়। পৰিশ্ৰম কৰি, খাই উঠি, উপবাস খাটি গা ধোৱা ভাল নহয়। গা ময়লা হলে গা ধোৱা ভাল। জাৰকালি বহুতে গা নোধোৱে। ই বৰ বেয়া নিয়ম। জাৰকালি এবাৰ আৰু গৰমত ১।২ বাৰ গা ধোৱা বেয়া নহয়। মনত ৰাখিব লাগে যে গা ধোৱা পানী পৰিষ্কাৰ হব লাগে। (ক্ৰমশঃ)

শ্ৰীদণ্ডী ৰাম দত্ত——

---

## গীত।

আজি হৃদয় দিয়া বুৰাই নতুন
প্ৰেমৰ বানেৰে
মোৰ গোটেই জীৱন উঠক জিনি
নিফুট গানেৰে।
কঁপে ঘনাই পৰাণ, তনু
কৰোঁ মুগুধ প্ৰতি অনু
বজাই তোমাৰ হৃদয়-বেণু
মধুৰ তানেৰে।

ৰবি শশী আজি ই মিল
থাকক নিৰবধি,
আনন্দ গান বাজক তুতল
হৃদয় পৰশি।
পূৰক আজি প্ৰাণৰ ক্ষুধা
অনন্ত কাল লাগক তৃধা
পান কৰোঁ মিলন-সুধা
যুগল প্ৰাণেৰে।

শ্ৰীডিম্বেশ্বৰ নেওগ।

---

## পোৱা কিতাপ।

ৰগৰ নামৰ কিতাপ এখন পাইছোঁ। ৰগৰ শ্ৰীযুত দণ্ডিনাথ কলিতা প্ৰণীত আৰু প্ৰকাশিত মূল্য ॥৵০। এৰেঁই আগেয়ে ৰহঘৰা ৰচি উলিয়াই ৰসিক সকলৰ আগত দিছিল, আৰু ৰসিকসকলে ৰস পান কৰি সুখ পাইছিল। এইখনো সেই জাতৰে আৰু সেই গঢ়ৰে কিতাপ। আমি নিজে ৰসিক নে অৰসিক কব নোৱাৰোঁ। কিন্তু কিতাপখন পঢ়ি হলে সোৱাদ পাইছোঁ। বাঁহীত ৰগৰৰ কেইবাটাও ৰগৰ ওলাইছিল। লেখকে পাতনিত সেইটোৰ উল্লেখ কৰাহেঁতেন ভাল আছিল।

## বাঁহীৰ দ্বিতীয় যুগাৰম্ভ।

এই সংখ্যাতে বাঁহীৰ বাৰ বছৰ পূৰ হল। অহা বহাগৰ পৰা তেৰ বছৰৰ আৰম্ভ। ত্ৰয়োদশ বছৰৰ প্ৰথম সংখ্যাৰ পৰা ইয়াৰ কলেৱৰ মাহে এফৰ্মাকৈ বঢ়াই দিবলৈ স্থিৰ কৰা হৈছে। নানা বিধৰ প্ৰবন্ধ, গান আৰু গল্প আদিৰে পাঠক সকলৰ মনোৰঞ্জনলৈ আয়োজন চলিছে। চিত্ৰাদিৰেও সাজ-পাৰ শুৱনি কৰিবলৈ উদ্যোগ কৰা হৈছে। কিন্তু তালৈ ধন ভগন কৰিব লাগিব। সেয়ে এতিয়াৰ পৰা বৰঙনিৰ নিৰিখ বছৰি ২॥০ কৰা হল। গ্ৰাহক সকলৰ উৎসাহেই আমাৰ বল। তলত লিখা কিতাপবিলাক উপহাৰ স্বৰূপে গ্ৰাহক সকললৈ আগ বঢ়োৱা হল। ত্ৰয়োদশ ভাগৰ বাঁহীৰ বৰঙনি ২॥০ আৰু উপহাৰৰ ৰেজিষ্টাৰি খৰচ ৵০ মোট ২॥৵০ মনিঅৰ্ডাৰত যেয়ে আমালৈ পঠাব তেৱেঁই এবছৰলৈ বাঁহী আৰু তলত লিখা কিতাপৰ এখন পাব। যাৰ যিখন প্ৰয়োজন লিখিব। কিতাপ সৰহ নাই — কোনো খন টুকালে আন এখনহে দিব পৰা হব। মনে পোৱা কেবাখনৰো যেন নাম দিয়ে।

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ—"বাখৰ," "পাচনি," "চিকৰপতি-নিকৰপতি," "নোমল," "কামত কৃতিত্ব লভিবৰ সঙ্কেত"।

,, চন্দ্ৰকুমাৰ আগৰৱালাৰ—"প্ৰতিমা," "বীণ বৰাগী"।

,, জিদ্বেশ্বৰ নেওগৰ—"আকুল পথিক" (বনগীত), "সঁফুৰা" (গানৰ কিতাপ।)

,, নকুলচন্দ্ৰ ভূঞাৰ—"বহাগী" (গৰখীয়া গীত)।

,, দণ্ডিনাথ কলিতাৰ—"সাতসৰী" (নতুন গল্পৰ কিতাপ)।

---

৫৩৯০/অ:


## আৰু এটী সুবিধা

### অকল বাঁহীৰ গ্ৰাহকৰ নিমিত্তেঃ—

বেজবৰুৱা ডাঙৰীয়াৰ কিতাপ আধামূলীয়াকৈ বিলোৱা হৈছে— এনে সুযোগ নেৰিব—কিতাপ সৰহ নাই।

| | | আচল দাম। | | বাঁহীৰ গ্ৰাহকলৈ। |
|---|---|---|---|---|
| চক্ৰধ্বজ | ... | ১৲ | ... | ॥০ |
| জয়মতী | ... | ১৲ | ... | ॥০ |
| বেলিমাৰ | ... | ১৲ | ... | ॥০ |
| শ্ৰীমদ্ভগৱৎ কথা | ... | ॥০ | ... | ।০ |

ভিঃ পিঃত পঠোৱা নহয়।

মেনেজাৰ, "বাঁহী"—গুৱাহাটী।




## ঘনশ্যাম বৰুৱা (অনৰেবোল; ৰায় বাহাদুৰ)

—•:•:•—

বঙ্গৰ শ্ৰেষ্ঠ কবি মাইকেল মধুসূদন দত্তই লেখিছিল——"একে একে নিবিল দেউটি!" উনৈশ শতিকাৰ শেহছোৱাত যি কেগছি বন্তি অসম-ভাওনাঘৰত জ্বলোৱা হৈছিল, এগছি-এগছিকৈ সুমাই আহিছে! ইংৰাজীত যাক really good man বোলে, তেনে এজন সজ্জ মানুহক আজি অসমে হেৰুৱালে। আমাক শোকে খুন্দা মাৰি ধৰিছে; আৰু কি কম, কি লেখিম! ঘনশ্যাম বৰুৱা আমাৰ Life-long বন্ধু আছিল। সুখত, দুখত, আনন্দত, উৎসৱত দুয়ো লগৰীয়া আছিলোঁ; একেলগে পঢ়িছিলোঁ, একেলগে বাঢ়িছিলোঁ।—স্বদেশত, বিদেশত। ধৰ্ম্ম, সমাজ আৰু আন আন এশ-এটা কথাত দুয়ো মনৰ ভাবৰ আদান-প্ৰদানত বিমল সুখ পাইছিলোঁ। আজি তেওঁ আমাক এৰি গল!

যোৱাঁ বন্ধু যোৱাঁ। দুখ নকৰোঁ। ইহকালত তুমি ৰজা প্ৰজা সকলোৰে আদৰণীয় হৈ, ৰজাঘৰীয়া সম্মানৰ চৰমসীমা পাই জীৱন সাৰ্থক কৰি গলা; তোমাৰ সুচৰিত্ৰ, নিৰ্ম্মল অন্তঃকৰণ, ঈশ্বৰত বিশ্বাস, আৰু প্ৰীতিয়ে পৰকালতো তোমাক পৰম পুৰুষ পৰমেশ্বৰৰ প্ৰিয় কৰি ৰাখিব নিশ্চয়।

তোমাৰ এটি প্ৰধান ইচ্ছা আছিল, আমি দুয়ো মিলি মহাপুৰুষৰ ৰচিত পৰম অমূল্য হাজাৰী-ঘোষা গ্ৰন্থখন টীকা-টিপ্পনী আৰু ব্যাখ্যাৰে সৈতে প্ৰকাশ কৰোঁহঁক। ঈশ্বৰৰ ইচ্ছা, তোমাৰ কান্ধত ৰাজকাৰ্য্যৰ গুৰু ভাৰ পৰিল, আৰু এই নিঃকিন অযোগ্যৰ অদৃষ্টত দূৰ দেশ-দেশান্তৰৰ হাবিয়ে-বননিয়ে হাবাথুৰি খাই ঘূৰি ফুৰিব লগীয়াটো ঘটিল। সকলো ঈশ্বৰৰ ইচ্ছাত ঘটে, তাৰ অন্যথা নাই। "There is Divinity even in the fall of a sparrow" যোৱাঁ বন্ধু যোৱাঁ! অলপৰ অগা-পিছা মাথোন।

সম্বলপুৰ।
২৯ মাৰ্চ ১৯২৩

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।